অনুভূতি

শ্রীআশুতোষ রায়চৌধুরী

শ্রীরায়চৌধাৰীৰ অপূৰ্ব্ব কাব্য

"তুমি"

গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ বি, এ, পাঠ্য

মূল্য—১৲

"আহুতি"

গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ আই, এ, পাঠ্য

মূল্য—১৷৷০

কুমাৰী শুচিব্রতা ৰায়চৌধাৰীৰ

"তুমি আৰু মই" কবিতা

(প্রাইভ-লাইব্রেৰীৰ বাবে মনোনীত)

মূল্য—৸০

শ্রীভগীৰথী ৰায়চৌধাৰীৰ

"মৰণ-বিজয়ী"

(প্রাইভ-লাইব্রেৰীৰ বাবে মনোনীত)

মূল্য—১।০

"পৰাগৰ"

"কামনাৰ দুই জ্বলিল যেতিয়া"

(গল্প)

মূল্য—৸০

"আত্ম-বিকাশ-ভৱন"

চাদমাৰি

গুৱাহাটী।

অনুভূতি



প্রথম প্রকাশ

শকবাব্দ—৫০৬

"অনুভূতিব" আটাইকেটা কবিতা (মাত্র ৪টা মানত বাদে) অল্-ইণ্ডিয়া-বেডিওব গুৱাহাটী শাখাব পবা ইং ১৯৪৮ সনব পবা ইং ১৯৫৪ সনলৈকে আবৃত্তি কবা, আৰু অল্-ইণ্ডিয়া-বেডিওব সৌজন্যতেই সেইবোব "অনুভূতিত" প্রকাশ কবা হ'ল। —আত্ম-বিকাশ ভবন —গুৱাহাটী।

শ্রীআম্বিকাগিৰী বায়চৌধাৰী

বেচ—১৸০

প্রকাশক—
"আত্মবিকাশ ভবন"
চাঁদমারি—গুয়াহাটী।

সর্ব্বস্বত্ব সংরক্ষিত

শ্রীকালি রাম দাস দ্বারা গুয়াহাটী পূর্ব্বজ্যোতি প্রেসত মুদ্রিত।

মোৰ একাষৰ

নানা সময়ত নানা উপলক্ষে মোৰ মন সমুদ্ৰত ঠেও ধৰি উঠা ভাৱোৰ্ম্মিমালাৰ যি ছান্দিক-কল্লোল বিলাক ভাষিক-ভঙ্গীত ৰূপ লৈ ওলাবলৈকে আকুলতাৰ উৎস ফালি ওলাই আহিছিল, তাৰেই কেইটামান বুটলি লৈ ইয়াত প্ৰকাশ কৰা হল। এই খনৰো নাম-কৰণ কৰিলে মোৰ জ্যেষ্ঠা দুহিতা শ্ৰীমতী শুচিস্মিতাই "অনুভূতি" বুলি। তেওঁৰ মতে এইবোৰত হেনো মোৰ অনুভূতিৰ উমানেই সৰহ। ইয়াৰ কোনো কোনোটো 'চেতনা', 'আসাম-বাৰ্ত্তা', 'আৱাহন', 'ডেকা-অসম', 'ৰামধেনু', 'সাহিত্য সভা পত্ৰিকা', 'বিহলঙনী', বীণা' আদিত ওলাই গৈছে।

মোৰ গোটেইটো জীৱনত কাব্যিক ছন্দৰ নিৰন্তৰচ্ছিন্ন ঢাল ৰক্ষা পৰা নাই। কোনো মুহূৰ্ত্তত কাব্যিক ছান্দিক ঢাল এটা ঠন ধৰি উঠিবলৈকে কাও-বাও কৰি কিছু দূৰ আগ বাঢ়িলেও, দেশৰ বাঞ্ছিত-অবাঞ্ছিত নানান পৰিস্থিতিয়ে তাক আগ ভেটি ধৰি, হয় কেকোৱা কৰি থয় নাইবা আনফালে ঢাল খুৱাই লৈ গৈ তাত অকাব্যিক অছান্দিক হিল্লোল তোলে, আৰু তাতেই মোৰ কাব্যিক ছন্দৰ লপ্‌লপিয়া গতিটোও লেটসেউ হৈ মূৰ্চ্ছাত পৰে। মোৰ গোটেইটো জীৱনত এইদৰে কাব্যিক-অকাব্যিক ছন্দ-অছন্দৰ উঠা-নমাৰ তালফাল ইতিবৃত্ত ঘটি আছিছে; আৰু সেইবাবেই মোৰ প্ৰায়খিলাক ছন্দতেই দৈশিক আৰু সামাজিক পৰিস্থিতিগত একোটা স্পৰ্শও আছে। গতিকে, হয়তো ইয়াত পৰিপুষ্টিগত কাব্যিক-ছান্দিক যোগসূত্ৰ বিচাৰি

উলিওৱাটোও টান কাম। সেইবাবে, মোৰ ছন্দবিলাকবো বেছি ভাগ জটিল,—সচৰাচৰ ছান্দিক জগতত খাপ নোখোৱা বিধৰ। তথাপি, ঘাত-সংঘাত বিলাকৰ ফাঁকে ফাঁকে গীত-পদৰ সাজ লৈ যিবিলাক কল্লোল মাজে সময়ে ওলাই আহিছিল, সেইবোৰ বেলেগে আন নামেৰে প্ৰকাশ কৰিম বুলি "অনুভূতি"ত ঠাই দিয়া নাই।

দেশৰ বিচিত্ৰতৰ পৰিস্থিতিত পৰি মোৰ কাব্যিক ধাৰাটো প্ৰায় শুকায়ে গৈছিল। কিন্তু ইং ১৯৪৭ সনৰ পৰা অৰ্থাৎ গুৱাহাটীত অল্-ইণ্ডিয়া ৰেডিওৰ শাখাটো গজি উঠাৰ পৰা, ৰেডিও কৰ্ত্তৃপক্ষৰ উবেদুল লতিফ বৰুৱা, শ্ৰীপুৰুষোত্তম দাস, শ্ৰীভুপেন হাজৰিকা, শ্ৰীফণী তালুকদাৰ, শ্ৰীসত্যপ্ৰসাদ বৰুৱা আদি ডেকা কলাবিদ সকলৰ জৰৱাই ধৰা হেঁচাবোৰ খাই মোৰ ৬৫ বছৰীয়া বুঢ়া মনটোত প্ৰায় ৩০ বছৰ বন্ধ হৈ থকা কাব্যিক-ছন্দৰ সোঁতটো ক্ষীণভাৱে কিছু বৱলৈ আৰম্ভ কৰে। "অনুভূতিৰ" কেবাটাও কবিতা এই সময়খিনিৰ ভিতৰত লিখা। নাজানোঁ, আজি আধুনিকতাৰ উন্মাদী হাৱাৰ কেন্দ্ৰচ্যুত দোলাত উঠি উধাই-মুধাই খোজ কঢ়া ডেকা প্ৰগতৰ ওচৰত মোৰ এই বুঢ়া কালৰ খুলি পৰা কাব্যিক-ছান্দিক ঢলটোৱে কিছুৰ সূচনা তুলি ধৰে, খোলাৰ নে স্বচ্ছতাৰ, মঙ্গলৰ নে অমঙ্গলৰ! কিন্তু যি কি নহলেও, ৰেডিও-ৰসিক উক্ত ডেকা কলা-ৰসজ্ঞ কেজন যে মোৰ শলাগৰ পাত্ৰ তাত সন্দেহ নাই। ইতি—

গুৱাহাটী—৩০।৮।৫৪ শ্ৰীঅম্বিকাগিৰী ৰায়চৌধুৰী।

সূচী

	বিষয়			পৃষ্ঠা
১।	সুখী-দৌত্য	...	...	১
২।	পূর্ণানন্দ	...	...	৩
৩।	অব্যর্থ-বাণ	...	...	৪
৪।	দৃঢ়পণ	...	...	৫
৫।	সূচনী	...	...	৫
৬।	দুষ্প্রাপ্যতা	.	...	৬
৭।	লীলানন্দ	..	...	৭
৮।	পোরাব পথ	...	...	৮
৯।	ইঙ্গিত	...	...	৯
১০।	আত্মাভিমান	...	..	১০
১১।	আত্মোন্মেষ	..	..	১১
১২।	ভুলব সন্ধান	..	...	১২
১৩।	বাক হীনতা	..	..	১২
১৪।	নব-ববষব দিনা	...	...	১৩
১৫।	আত্মদান	...	...	১৪
১৬।	সমিধান	...	...	১৫
১৭।	পোরাব আভাষ	...	...	১৭
১৮।	অভিসাব আহ্বান	...	...	১৭
১৯।	চুমা-ববণ	...	...	১৯
২০।	তন্দ্রাভঙ্গ	...	...	২০

	বিষয়			পৃষ্ঠা
২১।	বিশ্ব-দোলন	...	....	২১
২২।	আদ্যন্তহীন চুমাভিযান		...	২৩
২৩।	বাটত	..	...	২৪
২৪।	সৃষ্টি-তত্ত্ব	...	...	২৫
২৫।	আগত	...	...	২৬
২৬।	পূর্ণতা	...	...	২৮
২৭।	বিহু-আৱাহন	...	...	২৯
২৮।	লীলা-ৰহস্য	...	...	৩২
২৯।	আমন্ত্রণ	..	...	৩৪
৩০।	মহোৎসৱ	...	....	৩৬
৩১।	উদাস প্রশ্ন	...	...	৩৭
৩২।	কি লৱনু দিলোঁ মোক	.	...	৩৮
৩৩।	আৱির্ভাৱ-তিৰোভাৱ	...	....	৩৯
৩৪।	ভাদ্র-ৰৱণ	..	...	৪১
৩৫।	আৱাহন	...	. .	৪২
৩৬।	সাফল্যোৎস	...	....	৪৪
৩৭।	তত্ত্বভেদ	...	....	৪৪
৩৮।	জীৱনৰ ৰূপ	...	...	৪৬
৩৯।	বীর্য্য হেৰালি ক'ত	...	...	৪৭
৪০।	মানৱায়তন	..	...	৫০
৪১।	গঢ়া কৰি মোক ঝাড়ুদাৰ		...	৫৩

	বিষয়			পৃষ্ঠা
৪২।	অভ্যুদয়		...	৫৫
৪৩।	আকাঙ্ক্ষা	...	...	৫৬
৪৪।	জীবনৰ উদ্দেশ্য	...	...	৫৯
৪৫।	বেদনা-বিজয়	....	...	৬০
৪৬।	জাগ ডেকা তেজ জাগ	...	...	৬৪
৪৭।	জাগ বেথা মোৰ জাগ	...	...	৬৫
৪৮।	মাটিৰ দেহা মাটিত মিলক	...	...	৬৮
৪৯।	যায় দেখোঁ যায় সকলো যায়		.	৬৯
৫০।	উদ্দীপনা	...	...	৭১
৫১।	সংশয়	...	...	৭৩
৫২।	মই আছোঁ—মই আছোঁ	...	...	৭৫
৫৩।	মোৰেই হব জয়	...	...	৭৮
৫৭।	ৰহস্য-ধাৰ	...	...	৮১
৫৫।	প্রয়োজনৰ ভগৱানেই পূর্ণ ভগৱান		...	৮২
৫৬।	মোৰ আনন্দময় অভিষেক	...	...	৮৪
৫৭।	মই বিপ্লৱী—মই তাণ্ডৱী	...	...	৮৬
৫৮।	যা-যা—সকলো শুচি যা		...	৯০
৫৯।	তিনিও একত গঁথা	...	...	৯৪
৬০।	নাই জিৰণি—কেৱল চলি যোৱা		...	৯৬
৬১।	নিকাৰ নতুন সৃষ্টি গজক	...	...	৯৮

[illegible] will give you [illegible]
if [illegible] fully with [illegible]

অনুভূতি

সুন্দরী-দৌত্য

বাজ বাজ মোর বীণা
আজি বিরহ-গোমোলা দিনা—
তোর বেথা-বিধুনিত দৃষ্টি
খুলি, ঢাল আজি
ত্রিভুবন ঝাজি
সঙ্গীত-সুধা বৃষ্টি ;—
উথলি উঠক সুরর সিন্ধু সুরবে লাহরি লহরি তুলি
মোর ভাগি-চিগি থকা ভাল মানবোর ফুলাম লয়ত উঠক ফুলি ।
সৌন্দা ! সুনীল সিপারে বহি,
কল্পনো আবেগ সহি,
মোর বেথা-বিহ্বলা প্রিয়া,—
গীত গাই গাই
মোরে বাট চাই
করিছে কান্তর হিয়া ।
যা—যা—ভই লঘালরিকৈ মোরো সুরধিনি বুকুত বৈ,
তার সুরে স'তে গলাগলি করি গা গৈ রাগিনী একেটা হৈ ।

ক' গৈ বাতৰি মোৰ—
আজি পৰিছে সকলো ওৰ,—
মোৰ হিয়া ফুলনিৰ তলি
বিৰহৰ হান
খাই থানবান
আছে বেদনাতে জ্বলি।
এই খেনতেই আহি যদি তেওঁ সাদৰি আদৰি চুমাটি খায়,
দুয়োলো মাজৰ বেথা জ্বলি থকা তেহে যদি এই যাতনা যায়।
আহিব আহিব বুলি,
বাখিছোঁ দুৱাৰ খুলি,
মোৰ হিয়া-ভঙা ৰঙা বোল,—
সাৰি সুৰা মাৰি,
কলিজাটো পাৰি,
বাখিছোঁ আটোমটোল।
আহিলেই তাক বুকুত সাৰটি বাজিম তাৰেই দুখনি গাল,
সেই ৰূপ চাই শত জনমৰ যাতনা জুৰাই ভিনিম কাল।

ৰঙপেটা— ইং ১৯১০

— ———

পূর্ণানন্দ

জানোঁ মই তোমাৰ মন্দিৰ
বিশ্বম্ভৰা অমৰাৰ অমৰ টিণ্ডত,
ৰূপ-ৰস হীন মোৰ ভঙা জুপুৰিৰ
এতিলো মাধুৰী নাই,—বেদনা আহত,—
সুখেৰে তোমাৰ তাত থাকি,
সকলো সুষমা কাঢ়ি ৰাখি,
ভাবি আছা মনে মনে মহা ভাগ্যৱান,—
মোৰ কিন্তু এই জুপুৰিত—
—হাঁহিভৰা আনন্দ পুৰীত—
ভৰি আছে কাণে কাণে মাথো মহাপ্ৰাণ।

ৰঙপেটা—ইং ১৯১০

অব্যর্থ-বাণ

মই মহা নিরাশ্রয় দরিদ্র দুর্ব্বল—
পরি আছোঁ তোর এই
পান-ছিরি এরি দিয়া এদ্ধার পুরীত,—
তাতেহে ফরিছ মোক অহেলা ইমান?
তই মহা-ভাগ্যরান সুন্দর সরল—
ভোগ করি আছ রঁই
অনন্ত সম্পদ মানে অমর পুরীত—
তাতেহে বাঢ়িছে তোর গরর ইমান?
সামরিরি তোক ডেনেহলে তই,
বিরহর বাণ জুরি ললোঁ মই—
তারে মই বিদ্রোহ জ্বলাই,—
তোর সেই দুর্গ চাই চাই,—
এরিম বলেরে,
বিচিত্র ছলেরে—
ভেঙিয়া গরর তোর হৈ যাব ছাই,—
মই বেচি হম তোক অন্তরত পাই।

রংপেটা—ইং ১৯১০

দৃঢ়-পণ

ইবাৰ দেখিম,
শকতি সম্পদ তোৰ কিমান প্ৰবল—
ইবাৰ বুজিম,
দীন, হীন, ক্ষুদ্ৰ মই কিমান দুৰ্ব্বল।
বিৰহৰ সোঁত ভৰা
হিয়া-সাগৰৰ পৰা
ধাৰাসাৰে অশ্ৰুজল দিম বগৰাই,
দিন-ৰাতি লক্ষ্য কৰি তোকে চাই চাই।
সি যদি গৰৱ তোৰ নোৱাৰে দমাব,
সি যদি আসন তোৰ নোৱাৰে টলাব,
তেতিয়াহে বুজি পাম তোৰ প্ৰবলতা,—
তেতিয়াহে মানি লম মোৰ দুৰ্ব্বলতা!

বৰপেটা—ইং ১৯১০

সূচনী

কেতিয়াবা জীৱনৰ আঁৰে আঁৰে খোজ লৈ
মনে মনে অহা-যোৱা কৰোঁতে কৰোঁতে,
কি জানোবা কেতিয়াবা দেখা পাওঁ তোক—

সেইবাবে সাঁথৰ ইমান হেঙাৰ বৈ,—
বিৰহত বুৰি মই নিজম থাকোঁতে—
সম্মুখত বান্ধি কণা কৰি দিছ মোক ?
—মহা অস্ত্রখনি মোৰ
দিছ যে লগত—
পন্না নাই হেনো তোৰ
আজিও মনত ?
তাৰে মই কাটি কাটি সকলো বন্ধন,
তোক ধৰি হম তোৰ প্রভু মহাজন।

ৰঙপেটা—ইং ১৯১১

দুষ্প্রাপ্যতা

ভাবিছা হৰলা তুমি,
তোমাৰ অমৰ ভূমি,
বহুত দূৰত—
নোৱাৰে কোনেও তাক পাব।
তাতেকৈ আছে মোৰ
মহাপুৰী আনন্দৰ,
'অন্তৰ পুৰত—
তুমিও নোৱাৰা তাক পাব।

ৰঙপেটা—ইং ১৯১১

লীলানন্দ

তই মোক অৱহেলা কৰি
জীৱনৰ আঁৰে আঁৰে ফুৰিবি পলাই,
মই তোৰ বিৰহত পৰি,
মৰি ৰ'ম বেদনাৰ হান-খোচ খাই।
মই ৰ'ম ভাবি ভাবি তোক—
কি জানোঁবা কেতিয়াবা পাওঁ বুলি দেখা,
তই দেখি নিৰাশ্রয় মোক
আঁকি দিবি হৃদয়ত বিৰহৰ ৰেখা,—
মই তোক পাছে পাছে খেদি
বান্ধি থোৱা হেঙাৰত জঁট লাগি পৰি,
হৃদয়ৰ তন্ত্রীছেদী
বিৰহৰ বেদনাত ৰম পুৰি মৰি ;—
তথাপিতো তই মোক ভাই,
দূৰে দূৰে ছল দেখুৱাই,
ভীৰ্ণ প্রাণ বিয়াকুল কৰিব নেৰিবি, —
এয়ে নে কি লীলা-খেলা তোৰ ?
এয়ে নে কি লীলানন্দ মোৰ ?
কেতিয়া ক'চোন তই মোক দেখা দিবি ?

গুৱাহাটী—ইং ১৯১১

পোৱাৰ পথ

মাতোঁতে মাতোঁতে আলিমুলি লাগি
ভাগি-ছিগি গ'ল বীণাৰ সুৰ—
তাৰ বিৰহৰ বাণে বজ্ৰ হানেৰে
কৰি দিলে মোৰ কলিজা চুৰ।
কিমান ভাবিলোঁ কিমান চিন্তিলোঁ, কিমান কৰিলোঁ ছল,
একো ছলেতাক নোৱাৰোঁ দেখোন মোতকৈও বেছি ছল।
চকুৰ আগত কেতিয়াবা মোৰ
ধোঁৱা-মছা মুখ দেখিলে এখন,
সি বুলি ভাবিয়ে লৰালৰিকৈ
যায় হাত মেলি মোৰ হিয়া মন।
যিমানেই মোৰ কাকুতি-মিনতি আকুল-বিকুল কৰে,
বিৰহ-হাঁহি দেখুৱাই মোক সিমানে আঁতৰি পৰে।
সেই হাঁহিখিনি এনে সোৱাদৰ
বুজাব নোৱাৰোঁ একোৰেই মই,
"কান্দিও কান্দি প্ৰাণ তাতে লীন কৰ
তেহে পাবি মোক"—দিয়ে যেন কৈ।

গুৱাহাটী—ইং ১৯১১

ইঙ্গিত

তোমাৰ আলোৰ বুকুত
হিয়াৰ চুকুত
সকলো লুকাহ ৰাখি-

কিয় দিয়া নাই ঢালি,
মোৰ হিয়া জ্বালি ফালি,
দি আছা কেৱল ফাঁকি ?

এনেকুৱাকৈ নিদাৰুণ হৈ
ৰাখিলে মোক অপূৰ্ণ,
মোৰ তোমাৰ বিৰহ খেদোৱা ব'সনা
সমূলি হব বিচূৰ্ণ ।

গুৱাহাটী—ইং ১৯১২

আত্মাভিমান

তুমি হেনো মহামানী
বহি আছা বিশ্বৰ মূৰত,—
মই হেনো ক্ষুদ্ৰ প্ৰাণী
পৰি আছোঁ ধৰাৰ বুকুত,—
তাতেহে কৰিছা মোক অৱজ্ঞা ইমান,
শুশুনা এষাৰো মোৰ বেদনাৰ গান।

থাকা তেনেহলে ৰাক
লৈ তুমি তোমাৰ গৌৰৱ,
নোখোজোঁ তোমাত আৰু
বিনন্দীয়া নন্দন-সৌৰভ।
তোমাৰ থানতকৈ মোৰ থান ভাল,
তৃপ্তিৰ আনন্দ মোৰ এয়ে চিৰকাল।

গুৱাহাটী—ইং ১৯১২

আত্মান্বেষ

অহঙ্কাৰী ! কপটতা ইমানে তোমাৰ !
তোমাৰ ভৱক হ'ল ইমানেই চাৰ ?
ভাঙি ভাঙি হিয়া মোৰ সোধাই দিয়াতো,
মাজি মাজি প্ৰাণ মোৰ কাতৰ কৰাতো,—
ভাবি মোক হীন নীচ বুলি,
নিদিয়া ঢাকনীখন তুলি ?—

তোমাৰ লগত আজি মই
মহাৰণ কৰিলোঁ ঘোষণা,
আছে যদি শকতি তোমাৰ,
মিলনৰ লৈ উন্মাদনা—
- আহা আগুৱাই,
দিম দেখুৱাই,
নীচ হীন মই আজি কিমান তেজাল,
তোমাকে আগুৰি আছে বেঢ়ি চাৰিফাল ।

গুৱাহাটী—ইং ১৯১২

ভুলৰ সন্ধান

ভাৰ হাঁহিৰ হেঁচা লাগি সৰি পৰা
চুমাৰ বিলাসী ফুল,—
তাতেই গজাই তোলোঁ যদি মোৰ
তৃপ্তিৰ ভুলাভুল—
নিবিড়, গহীন, গহন, সুদূৰ,
সৌ যে অমৰ ম'উ,—
কোনটো খেণত পাম হৃদয়ত
পাৰ হৈ ইমান চ'উ ?

গুৱাহাটী—ইং ১৯১৩

বাকহীনতা

দহোদিশে লৰি ঘূৰি
পাছে পাছে খেদি ফুৰি
থাপ মাৰি ধৰা যেন
পাওঁ আঁচলত :—
মুঠা মেলি চাওঁ পাছে,
সুদা হাত পৰি আছে,—
ভৰধ অবাক হিয়া,—
—নিমাত জগত।

গুৱাহাটী—ইং ১৯১৩

নব-বরষের দিনে

মোর বাজাচোন বাজা বীণা
আজি নব-বরষের দিনে,—
আকাশ পেলোরা ছাটি,—
আনা মহাগীত মাতি,—
লঘু কোমল সরস সুরেরে গলাই পরাই দিয়া,
মান-অভিমানে তাণ্ডব তুলি শিল করি থোরা হিয়া।

দিয়াচো' রাগিনী খুলি,
জীবন-জোকার তুলি,
প্রাণময় আরকালে,
গাজনক চাঞ্চিফালে,—
খাল-বাম-পেঁক-পানী করি এক জলক এখন ছবি,
সকলো পরাণ সমানে আলোকি জলক প্রেমর রবি।

গোরা, গোরা, গীত বীণা!
মোর ব্যথিত জীবন জিনা
শীতল শুভ্র সুরে—
জ্বলা-পোরা যক জুরে'—
তীব্র, উগ্র, প্রখর যিখিনি সকলো পরক জঁয়,
অপার, অগাধ শান্তিত পরি বেদনার ছ'ক লয়।

সৰাকো সামৰি আনি,
একেটা ৰাগিনী টানি,
গোৱা মন-প্ৰাণ খুলি,
মিলি-জুলি ৰ'ক ঝুলি,
ইমান বহুৰ ছিন্-ভিন্ কৰা অমিল অজীণ সুৰ,
একেটি ৰেশৰ একে গমকতে হৈ ৰ'ক মধিমুৰ।

ৰঙপেটা—ইং ১৯১৩

আত্মদান

ক'ৰ পৰানো আচন্বিতে হে মোৰ তুমি প্ৰিয়!
নিশাৰ সপোন নৌ ৰুৱেঁাতে,
উষাৰ আঁচল নৌ উৰেঁাতে,
হাঁহি হাঁহি মোৰ দুৱাৰত দিলা আহি খিয়,
হে মোৰ তুমি প্ৰিয়!
কোন সৰগৰ সুধাৰ আগাৰ লুটি,
কোন অৰুণৰ উষাণ-দোলাত উঠি,
কোন গগনৰ গড় পাৰ হৈ আহি পালা তুমি,
কোন জমৰাত নিশা খপি কিহৰ সুধা চুমি?
আহা! কি বিমোহন তৃপ্তিৰ তেজ বইছে মুখত ফুটি?

নাইতো আজি মোৰ হৃদয়ত
গোন্ধ, গীতৰ কণা,
কি ৰসনো লবা চেপি
হে মোৰ উদাস মনা ?
যুগ-যুগান্ত বিষহ-ভৰা ধুম-ধুপালিত পৰি,
ছিন্ন হৃদয় আছে কেৱল আশা উদি কৰি,—
ইয়াতেই অতৃপ্তি তোমাৰ
পলায় যদি ভাই,
লুপ্ত কৰি লোৱা তাকো
আনতো একো নাই।

গুৱাহাটী—ইং ১৯১৪

সন্নিধান

বাণী ! মোৰ যে বুকুৰ জুই ৰঙা এই চুমাৰ জবা ফুল,
তোমাৰ ওঠৰ ৰং হবলৈ কিমান বিয়াকুল—
চন্দন-ধূপ ছিয়াৰ টানি
অনুভূতিৰ ফেণু সানি
কলিজাৰ তিল-তুলসীযে অঞ্জলি দি কলে,—
মানিবা নে ? আন উপচাৰ নাইতো ভেনেহলে ?—

মোৰ মুখ-শিভানত গন্ধ-বেথাৰ আকুল আকর্ষণ,
চাৰিফালে ঘোৰ নিৰাশাৰ বিপুল গৰজন—
তাতো যে মোৰ চুমাৰ শিখাৰ উজ্জ্বল আলো-জ্বলে,
তোমাৰ বুকুৰ তাপ হৰলৈ সেই ফালেহে চলে।

মোৰ বিৰহ-ভৰা বেদনাময় চুমাৰ চেকা লাগি,
কি জানোবা নিকা তোমাৰ ৰূপটো পৰে ভাগি—
সেইবাবে মোক এৰাই এৰাই
ফুৰা নে কি পলাই পলাই ?
এইদৰে নো দুখ-বিদূৰৰ কিমান সীমা পাবা ?—
সীমাখিনি শেষ হলে নো ক'লৈ পলাই যাবা ?

তেতিয়া তো আনফালে হায়! বন্ধ দুৱাৰ দেখি
লৰ মাৰি মোৰ বুকুত পৰি
মোতেই তোমাৰ হেপাহ ভৰি
চুমা দিবা অন্তহীনৰ পিঠিত লেখি লেখি।

গুৱাহাটী—ই· ১৯১৪

পোৱাৰ আভাস

ৰাণীৰ বুকুত ৰেল-বকুলৰ গোন্ধ বিচাৰ কৰি
আকাশ ধিয়াই লৰ যেতিয়া ধৰোঁ,
অন্ধকাৰৰ অতল গুহাত পৰোঁ।

পদ-পদুমৰ ৰেণু খুজি আকুলতাত পৰি—
পৰাণ ঢালি প্ৰণাম যেৱে কৰোঁ,
আলোকময়ীৰ সন্নিকটত সৰোঁ।

গুৱাহাটী—ইং ১৯১৪

অভিসাৰ আহ্বান

আজি গহীন, গভীৰ ৰাতি,
তুমি কাৰ নো প্ৰেমত মাতি,
লাহ-লোটনৰ ঢলটি তুলি
কাৰ-ফালে নো যোৱা ৰাণী!
কাৰ বা অভিমুখে?

কত প্রীতিৰ জলক ভৰা,
মোৰ পৰাণ পাগল কৰা,
গোন্ধ-গীতৰ সুধা ঢালি,
কি আৱেগৰ আকুল বাণী
কয় নো তোমাৰ মুখে ?

আহা ! সোণৰ ক'লা চুলি,
কত জ্যোৎস্না হাঁহে দুলি,—
অনুৰাগৰ চতুৰ নাচোন
লুকাই চকুত খেলা কৰে,—
—কিহৰ অভিলাষ !

আহা ! ইমান ৰূপৰ ঢল,—
মোৰ হৃদয়-পদ্ম-দল,
ঢালি বুৱাই দি যোৱাচোন,
তৃষ্ণা-ক্ষুধা হঠাৎ-কৰে
হৈ য'ক মোৰ নাশ।

গুৱাহাটী—ইং ১৯১৪

চুমা-বৰণ

মোৰ যে বুকুত ৰখি আছোঁ
খেপটো সুফল গণি,
পাম বুলি মই তোমাৰ চুমাৰ
তপত পৰশ মণি,—

ভাতনো একো নাই নে ৰাণী !
সোণৰ উচা-দৰ,
পাহ পিঠি দি শুচি যোৱা
কৰি অনাদৰ ?

আদি-অন্তহীন যুগটোৰ
উথন-পতন চাই,—
আছোঁ কেৱল সেই চুমাৰে
ৰৰণ-ঘোষা গাই।

সেই চুমাটি এক হলেহে
মোৰ হৃদয়ত পৰি,-
জনম মৰণ এক কৰি মোৰ,
উঠিম তোমাত ভৰি।

গুৱাহাটী—ইং ১৯১৪

তন্দ্রাভঙ্গ

বাণীৰ ওঁঠত ফটিকা এটুপি পি,
যুগ বহুশত আছিলোঁ নিচাল দি,—
স্বপ্ন-বিভোৰ তন্দ্রা হালুক
মত্ত-চিত্তৰ পাল,—
বঙাই বোলাই চৰিল কিমান
অবুজ বেথাৰ জাল।

সেই জালটোৰ আঁৰে আঁৰে
বাণীৰ কণু-জুণু—
ৰূপটো আগত মুঠে ফুলি
কেৱল সাৰি শুনোঁ।

আজি তন্দ্রা টুটিল,
বাগী ভাগিল,—
বাণীক আগত পালোঁ,—
ইবাৰ ওঁঠত
নহয়, পদত
অমৰ সুধা পিলোঁ।

গুৱাহাটী—ইং ১৯১৫

বিশ্ব-দোলন

জিলমিল তেজোদীপ্তা নভোজ্যোতি
ভাবঙ্কা মালাই,
মোল'কে নমাই দিয়া বশ্মিসূতী
কোচাই কোচাই,
মহানীল ডোখৰৰ দুয়ো মুখে গাথি,
সপ্তসুৰী বিৰহ-দলিছা ভাতে পাতি,
অপূৰ্ব দোলনাখন তুলিম সজাই,
ৰহীয়া ৰামধেনু-বোল বহুণাই ;—
বজাই বিজয়-ডঙ্কা
আৱাহন ৰাণীক জনাম,—
বিৰহ-বেদনা গঙ্গা
অধো-ঊৰ্দ্ধ বুৱাই বোৱাম ;—
ৰাণীয়ে আহিব নামি ঊৰ্ম্মিমালা স'তে খেলি খেলি,
সুপুত-ৰহস্যময় ৰূপ-ৰস-গোন্ধ-জ্যোতি মেলি ;—
বহিবহি দোলনাত জগাই' পুলক
মোৰ স'তে মুখামুখিকৈ,—
ৰ'ম দুয়ো বাক্-ভাষ্-হীন নিষ্পলক,—
—মিলনাশ্রু উথলিব বৈ ,—

দুয়ো দু'কো একেশ্বরে চাই
চক্রবেগে দোলনা দোলাম,
মহানীল আলোড়ন করি,—
চুমোল্লাসী জয়-গীত গাই
লগে লগে বিচিত্র ফুলাম
জীবন জাগিব ভবি ভবি।
বুকে-ওঁঠে ফুটি উঠা বাণী আক মোর
চুমার নিরুনবোর
চাবিফালে চিটিকি পরিব :—
বিরহর বেদনাই খালি করা প্রাণ
পরি আছে যতমান
মিলনর সুরেরে ভরিব।

ওয়াহাটী—ইং ১৯১৫

আদ্যন্তহীন চুমাভিযান

সিদিনাৰ সোণফুলী শুকুলা নিশাৰ,
ৰূপে-ৰসে তল্‌মল্‌
নিপয়হ বুকু ফালি গুন্‌গুন্‌ ভুলি,
যেতিয়া অতৃপ্ত মোৰ বলিয়া-চুমাৰ
বুভুক্ষাটো হালি গ'ল
বাণীৰ ওঁঠৰফালে মোৰ ওঁঠ খুলি,—
ফুটাই আগ্নেয়-উল্কা বাণীয়ে ভেতিয়া,
তল্‌মল্‌ ওঁঠ দুটি বিস্ফাৰিত কৰি,
মেলি দিলে মহানীল-বিহাৰ আঁচল ;—
কৰিলে থিতাতে ৰং-ৰূপ নাইকিয়া,
বিনন্দ বিচিত্ৰ সৃষ্টিধাৰা ঢাকি ধাৰ,—
—দশোদিশ আন্ধাৰত পৰি পমি গ'ল।
খস্তেকতে নাই-নুই হল সৃষ্টিখন ---
— বাণী আৰু মই মাত্ৰ বলোঁ। দুইজন ; —
উন্মাদী চুমাৰে মই আছোঁ। আগুৰাই,—
বাণীয়ে নিদিয়ে ধৰা,—আছে পিছুৱাই —
ইদৰে অনন্তকাল ওঁঠ দুটি মোৰ
চুমা লৈ বাণীকে খেদিছে,—নাই ওৰ,—

গুৱাহাটী—ই ১৯১৫

বাউল

মই শ্রান্ত—
তোমার কোমল কনক-কান্তি,
ধীরাচঞ্চল সুরদি শান্তি
বিচারি বিচারি ফুরি,
আকাশ পাতাল ঘুরি,
ভাগরি বাগরি সকলো হর্ষ,
জুগালে হিয়াত অনল তর্ক,—
মই ভ্রান্ত

মই বদ্ধ—
ভরাই তোমার কুসুম কুঞ্জ
বিরাজে মধুর মাধুরী পুঞ্জ,—
বাজিছে আকুল সুর,—
—মোর বলিয়া পরাণ-পুর ;—
কঠোর জটিল জেওরা-বন্দী,
নাপাওঁ বিচারি বাটর সন্ধি,—
মই অন্ধ।

দিয়া শক্তি—
তোমাৰ যিখিনি গভীৰ গুপ্ত
মোতে কৰোঁ আজি সকলো লুপ্ত,—
আপোন পাহৰা হৈ
তাতে থাকোঁ লীন গৈ ;—
নোখোজোঁ মোমাক নালাগে তত্ত্ব,—
ন'লাগে, নহওঁ মিলন-মত্ত,—
দিয়া ভক্তি ।

ডিব্রুগড়—ইং ১৯১৭

সৃষ্টি-তত্ত্ব

স্তব্ধ, নিবিড়, নিজম, নিমাত,
অজানা-উলাহ এটি অভিপাত,
অতল হিয়াৰ
ওপচাই পাৰ
উঠিল আকুল-বিকুল হৈ,-

কোমল কঠিন কতনো মাধুরী,
ফুলিলে ফলিলে নিজকে আগুরি,—
নিজকে বুজিব, নিজতে মজিব,
নিজতে জ্বলিব, নিজতে জঁয়িব,
উঠিব পুনৰ সজাগ হৈ।

ৰৰপেটা—ইং ১৯১৭

আগত

সেই যে তোমাৰ
অহৰহলাৰ
আৰ্ত্তনাদত উচাপ খোৱা
দীন-দৰিদ্ৰ হুজাশ হৃদয়খন,—
তোমাৰ জগত
তাৰ ভিতৰত,
স্বত্ব মোৰো কোচাই লোৱা,—
ধৰক আশাৰ সুন্দৰতম ঠন।

দাৰিদ্র্য-প্রাচুর্য্য দুয়ো তোমাত ওতঃপ্রোত,
মোক নললে তাত তো নবয় সমস্বত্বৰ সোঁত।

দুয়ো দুয়োত
নাথালে পোত,
ধৰিব ক'ত কুৰূপ তোমাৰ
সাম্য সবল মহান মধুৰ ৰূপ ?
তোমাৰ তেলত,
মোৰ অনলত,
মজ্জলিলে বস্তি উদাত্ত,—
হব কিয় উজ্জ্বল অন্ধকূপ ?

গুৱাহাটী ইং ১৯১৭

পূর্ণতা

যি বেদনাৰ তপত চুমাত
সৃষ্টি উঠে জাগি,
জীৱন জুৰি প্ৰেম-সোঁত বয়
বিষম মৰণ লাগি,—

সেই বিৰহৰ, সেই মৰণৰ
ৰূপ ধৰি মোৰ প্ৰিয়া,
পৰিলেহে বুকু ভৰি মোৰ
হয় সুশীতল হিয়া!

ডিব্ৰুগড়—ইং ১৯১৭

বিশ্ব-আরাধন

হেথা! গহীন, গভীর,
সুধীর, নিবিড়,
শান্ত, শীতল, সুন্দরতম,
উদার, অজর, অমর, অসম,
মহান, মহৎ, বিপুল, বিশাল,
সত্য, শুদ্ধ, সুরূপ, তেজাল,
মঙ্গলময়, প্রীতির আলয়,
জয় জয় জয়, মহাবসচয়,
চির প্রেমময়,
চির সুখময়,
চির মধুময় বঙিয়াল!

দেখিছানে আজি,
শুনিছানে আজি—
সখি হাঁহি থকা মোৰ চোতালত,
নীলিম চন্দ্রতাপৰ তলত,—
চন্দ্র-সূর্য্য-তৰাৰ আলোত,
চেপা হাঁহি মাৰি মোহিনী ছলত,
ছয়োটা ঋতুৰ, বাৰটা মাহৰ,
সাতুৰি-নাহুৰি মাধুৰী-সাগৰ
কত আশা লৈ
ঘণ্ডালি বিছুই—
নামিছেহি বাই পেঁপা-ডাল।

কত সুন্দৰ
শত ইন্দুৰ
আলোৰ সাগৰ মন্থন ফৰি;
সুধা তুলি কত কল্পনা গঢ়ি,—
কি আকুলতাৰ কথা-গীতি গাই,—
কাঁক মাতি মাতি কাৰফালে চাই,—
বজোৱা তোমাৰ মোহন পেঁপাৰ
লয়-তাল-মান, অগাধ অপাৰ,—
লৈ আহা তুমি মনে মনে নামি,
ভাৰ-ভাগৰত তিতি-বুৰি ঘামি,—

জনম, মরণ,
উঠন, পতন,
সাধন, স্বাদন; ভজন, পূজন,
সপোন, শয়ন, চেতনাচেতন,—
অহা-যোৱা কৰা সকলো লীলাৰ,
কোমল কঠিন সকলো খেলাৰ,
পুলকাঞ্চিত জয়-গীত গাই,
তালে-তালে পেঁপা-ঢোল-বেণু বাই —
ভাগি-চিগি যোৱা জগত জোৰাই
নতুন সৃষ্টি কৰোঁ। দুয়ো ভাই।

ডিব্রুগড়—ইং ১৯১৭

লীলা-রহস্য

যি ফালেদি ফুল্ল ফুলে মোৰ,
সেইফালেদি চলে তোমাৰ গোন্ধ,—
যিখিনিত মোৰ গীত পৰে ওৰ,
তাতেই তোমাৰ জীৱনো হয় বন্ধ

আকাশ ভৰা উজল আভাখিনি
তোমাৰ মুখত জ্বলে ৰিণি-ৰিণি,—
তাৰ বুকেদি উচ্ছল মোৰ হাঁহি,
আকুল-বিকুল
উগুল-থুগুল,
কাৰফালে যায় ভাঁহি!

যি বাটেদি বাগৰি পৰে
শত খুন্দা খাই ভঙা মোৰ প্ৰাণ,
সেই সৰেদি সোৰকি পৰে
তোমাৰ কিবা বিচিত্ৰতৰ দান;—

কাৰ সিপাৰে কাৰ কি মহোৎসৱ,
ৰাতিয়ে দিনে কিহৰ কলৰৱ,—
মোৰ জীৱনে সেইফালে বাট ধৰি,
মন-প্ৰাণ লৈ
লছপছকৈ
যায় নো কিয় লৰি ?

আছে তোমাৰ উগ্ৰ হেপাহ
বিপুল, বিশাল, বিৰাট হিয়া ভৰি,
খন্তেকতে হৈ যাব ভাহ—
দীন, হীন, ক্ষীণ প্ৰাণটো তাতে পৰি,—
সেইবাবে এই নানান পৰিণাম
ধাৰাসাৰে ঢালি অবিৰাম,
থাকা নানা ৰং-ধেমালি কৰি।

ডিব্ৰুগড়—ইং ১৯১৭

আমন্ত্রণ

দিয়া ঢালি,—আৰু দিয়া লেখাৰি নিছিগা কবি,
ওপচাই মোৰ হিয়া উঠক বেদন ভৰি ;—
মোৰ মন প্ৰাণ জনম-জীৱন,
বেদনাঘাতত নহলে চেতন,—
হিয়াৰ মহলা জ্বালি,
সাজি অনুভূতি আলি,
কোনেনো তোমাক পোহৰ দেখা'ব
বিকাশৰ পুৰীলৈ ?
মিলন-মহিমা কোনে গাই যাব
তোমাৰ ওচৰলৈ ?

নুপুলিলে মোৰ হিয়া
তোমাৰ বিৰহ-জুই,
নকৰিলে নাইকিয়া
কামনা বাসনা ধুই,—
কিহেদি তুমিনো তোমাৰ জগত
ভৰালাহেতেন মহা-জীৱনত ?

গৈ মোৰ ভিতৰেদি
'আছে-নাই' বোৰ ভেদি,—
তোমাৰ জীৱন ভৱপূৰ কৰি
উঠিলাহেঁতেন ক'ত ?
নাঁহা যদি মোৰ বেথা-বাট ধৰি
নপৰা যে আলোকত।

সময়ত আৰু মই
দেখিলে তোমাক ক্ষণ,
লৰালৰিকৈ গৈ
বঙাম বেণাবে ৰীণ,—
তাতেই অপাৰ ঈশ্বৰ মাধুৰী,
ফুলিব, ত্ৰুটি অপাৰ আগুৰি,—
মোত মিলি যাওঁ বুলি
আহিবা সকলো ভুলি,—
তোমাৰ নহলে মোৰ পৰা লবা,
লাগিলে আনিম মই,—
মই ৰ'ম তোমাত তুমি মোত ৰবা
ৰ'ম সনাসনি হৈ।

ডিব্রুগড়—ইং ১৯১৭

মহোৎসৱ

আজি কাৱনো প্রেমত হৃদয় মনৱ
মুগ্ধ অণু-পৱমাণুক
স্তব্ধ কৱি ধন্য কৱা
অনুভূতিৱ অন্তৱালত—
মোৱ জীৱন-মৱণ-প্রাণ-মোহনৱ
মৃদুল মধুৱ জানাক জুনুক,
লুকাই থাকি চিত্ত ধৱা
চৱণ বাজে রুদ্র তালত ?
অতীত বৰ্ত্তমানক চেপি
ভঙা-গঢ়াৱ আয়োজনত
ব্যস্ত থকা
ভৱিষ্যতৱ প্রলয় বিকাশ—
লয়, তাল, মান, চৱণ-ক্ষেপৱ
বেঢ়ি নাচে দীপ্ত তালত
ঢাকি ৰখা
মুক্ত-যুক্ত আলো আকাশ।

গুৱাহাটী—ইং ১৯১৮

উদাস প্রশ্ন

সৌ সন্ধ্যা-বাণীৰ আঁচল ধৰি—
ৰং-ৰসেৰে বিলাস কৰি,
গাইছে যে গীত নাচি-বাগি
হাঁহি মুখে
ৰক্ত-আভাৰ মন-মোহিনী মোৰ,—
তাৰ তেজাল তৰল অঙ্গ ফালি
বৈছে যি ৰূপ হালি-জালি
তাত জানো সি আছে জাগি
মহাসুখে
গোন্ধ-গীতৰ ভিতৰ-বাহিৰ চোৰ ?
এটাক এৰি, আনটো ধৰি,
কোন অজানাক লক্ষ্য কৰি,
কত শত জনম-যুগৰ
ডেওনা চেৰাই
চিচুৰিছে উদাস প্রশ্ন মোৰ,—

কোন সুদূরের সীমার শেষত,
কোন অজানার বিলাস দেশত,
চলি যোৱার অবাধ-ভাগৰ
জুৱাই-সথাই
পৰিৰ তাৰ চঞ্চলতাৰ ওৰ ?

গুৱাহাটী—ইং ১৯১৯

কি লৱনু দিলা মোক

তোমার পুলক পৰশ-লাগি
ফুলিল যি মোৰ ফুল হে প্রিয় !
ফুলিল যি মোৰ ফুল,—

তাৰ গোন্ধত জীয়ন-মৰণ
বিভোৰ বিয়াকুল হে প্রিয় !
বিভোৰ বিয়াকুল ।

মোর দিন-শেষের মন্থন করি
কি রত্নটু দিলা মোক হে প্রিয়!
কি রত্নটু দিলা মোক?

ভাবনাবে আজি হাবাখুবি খাই
ক্ষিপ্ত লোক-অলোক হে প্রিয়!
ক্ষিপ্ত লোক-অলোক।

গুয়াহাটী— ইং ১৯২০

আবির্ভাব-তিরোভাব

(১)

ভিক্ত-কঠোর দুখ-দৈন্যর
লৌহ-কঠিন নিষ্পেষণেরে
ধুনি ধূলি করা মানব প্রাণর
কাতর বিননি বাজিলে বুকুত যব—

সান্ত্বনা-পরিপূরিত দেশর
সুখ-সুশীতল সঞ্জীবনীরে
দিবল'কে স্বাদ মুক্তি-ধনর
ধরণীত আহি নামিলা ধরণীধর।

(২)

নানা দুখে-দোষে হেঁচি, চেপি, পিটি,
নীরস নির্জ্জীর খোরা শিল করি
মর্ম্মপীড়িত শত মানবীয় প্রাণ,—

রসময়ী ভকতির মহাগীতি
শুনাই, শিকাই, বিগলিত করি—
লীলা-গতি স্থরি করিলা মহাপ্রস্থান।
গুরাহাটী—ইং ১৯২০

ভাদ্র-বরণ

পুবণি পেঁকব গেলা-পচা ভবি,
সমাজব সোণ তল কবি থোৱা
দুষ্ট কালব ধৃষ্টতা ভঙা-ফুটা,—

বান বকণব হাতে-গলে ধবি,—
– ক'লাব কাজল বগা কবি লোৱা—
আহিচা ভাদ্র ? আহা,—ঢল ঢালি উটা।

সোমাবে বুকেদি আহিল সোবকি
জগৎ-জ্যোতি জগতোপাস্য,
সুন্দবতম মধুব মুকলি হবি,—

শিলব বুকুত বলেবে গবকি,
স্নেহ, মধুব, সখ্য, দাস্য,
বস ঢালি দিলে বিশ্ব বিভোব কবি।

অযোধ্য কালব ভেম গুডি কবি
তুমিয়ে আনিলা স্বনাম-ধন্য
যুধাজিতাবক, দাদব জিনিবলৈ,—

আজিও আনাচো' কাচিয়ে বা হবি
এজন পুরুষ জগৎমান্য,—
দেশ ভবি থকা দীনতা গুচাবলৈ।

গুৱাহাটী—ইং ১৯২০

আৱাহন

দাস্য-ভক্তি কি কোৱা মোক দাস্য-ভক্তি কি?
নৰ-পশু-লতা সাৰ পাই উঠে বিমল সেৱাত যি,
—সকলোকে সাম্যৰ দান দি,—
দাস্য-ভক্তি সেয়ে নে কি?
কোৱা, দাস্য-ভক্তি কি?

বিয়াকুল হ'ল যি বস বিচাৰি মাধৱ, শ্রীৰাম, হৰি,
সংসাৰ-ফলৰ মিঠাৰ মূষত লাখি-চম্ মাৰি এৰি,—
নিজেও বাতুল, আনকো বাতুল কৰিলে আকণ্ঠ পি,—
—মান-অভিমান সন্তাকো দোৱালে সেৱাৰ তিলক দি।

এয়ে যদি হয় দাস্য-ভক্তি, জগৎ গুৰুৰ দান,
অসমীয়া সমাজৰ আজি ক'ত ভাৰ পৱিত্ৰ থান ?
অজ্ঞানভাৰ উপদ্ৰৱত ক'ত আজি গৈ লুকালে সি ?
সেৱা উদি কৰি কল্যৰে তাত অহং-দানল চৰালেহি।

আহা শঙ্কৰ-মাধৱ আকৌ সেৱাৰ মদিৰা লৈ,
সেৱা-সাম্য-ধৰমৰ বাগী য'ক শিৰে শিৰে বৈ,—
অসমৰ মাটি, অসমৰ পানী, অসমৰ বায়ু ছাটি,
বামুণ, শূদিৰ, সাৰমেয়, গাধ, উঠক সেৱাতে মাতি ;—
বিশ্ব-বিয়াপি বিমল-শুদ্ধ সেৱাৰ শিকনি দি,
হওক অসম ভাৰতৰ গুৰু, ভাৰত উঠক জী।

গুৱাহাটী—ইং ১৯২০

সাফল্যোৎস

কিন্নু বহুল
যি পথেদি কেৱল আঁচোৱ লাগে,—
সেইখিনিতে মোৱ জীৱনৰ
দীপ্তশিখা জ্বলে।

ব্যথা-ব্যাকুল
যি পথেদি কেৱল বিৱহ জাগে,—
সেইখিনিতে বিচিত্রতৰ
সৃষ্টিধাৰা চলে।

গুৱাহাটী—ইং ১৯২০

তন্ত্রভেদ

বাগৰি পৰিকি মুঠৌ যদি মই
খাম নো পিছল কিয় ?
বেদনাৰ যদি নখওঁ আঘাত
জাগিব বা কিয় জীৱ ?

হাতৰ মুঠিটো নিদিলে ঢিলাই,
কিয় বা ভৱিব আহি ?
জাহিৰ হেঁচাত ভেটৰ কলিয়ে
কিয় বা মেলিব পাহী ?

ৰাক্ষসী-ঋকে আগুৰাই কিয়
আনিব অমৰ দান ?
গেলা-পচাৰোৰ মুগুচিলে কিয়
নিৰাময় হব হান ?

বেদনা-ক্লিষ্ট আৰ্ত্তনাদত
নিবিলালে হিয়াখন,
অসীমক জুৰি পাম কিয় মই,
মহান মিলন ধন ?

গুৱাহাটী—ইং ১৯২৪

জীবনের রূপ

যে জীবনও
বজ্র-কঠোর দুঃখ-বেদনা. নির্য্যাতনের
ঘোর ঘর্ষণ লাগি,
মন্দ, মহৎ
কাল-বিজয়ী রুদ্র-লীলার ভয়ক ভেদি
অনল উঠে জাগি,—
সেই অনলও
সৃষ্টোৎসব সচল-আবেগ রুদ্ধ করা
জাহি-জাবর, ভুল,
ভস্ম করি,
শ্রান্তি-বিহীন স্বচ্ছ-ধারার বিচিত্রতর
ফুলায় জীবন-ফুল

যে জীবনও
তাচ্ছিল্যাপমান অবজ্ঞার হান-খোঁচ খাই
মুক্তা-মাণিক জ্বলে,
প্রবঞ্চনা,
হিংসা-দ্বেষর অস্ত্র-কোপাট উঁকরি গৈ
কান্দে দলে দলে ;—

পূর্ণ জীৱন,
নিটোল জীৱন, নিখুঁত জীৱন, সফল জীৱন,—
—তাকেই জীৱন কয়,—
সেই জীৱনে
কৰে কেৱল উপদ্ৰৱৰ দন্ত ছেদি
জগত নিৰাময়।

গুৱাহাটী—ইং১৯২৫

বীর্য্য হেৰালি ক'ত?

হেৰ! তেজে ফুটোঁ ফুটোঁ টলবল ডেকা,
বীর্য্য হেৰালি ক'ত?
শত্রু-বিজয়ী শৌর্য্য এৰিলি ক'ত?
আগ্নেয়-গি'ৰি-লোল-শিখা জ্বলি
ঘুঠে ভোৰ আননত—
দিপ্তি-বিহীন বিমলিন বিষাদত?

নাজাগে ধুমুহা-বিপ্লব ভবি উশ্বাস-নিশ্বাস,
—নাই-নুই কবা হীন-নীচভাব গ্রাস,—
আর্ত্ত-আত্ম-মুক্তিব হেতু দুর্নিবাবাভিলাষ,—
— নতুনক গঢ়া গলিতক কবি নাশ।

দৃষ্টিত তোব নজ্বলে অগ্নি-উল্কাব ববষণ,
—যথ-পিশাচব. শঙ্কিত শিহবণ ;—
খোজব ভবত দলদোপ লাগি নকঁপে ধবণীখন,—
—নঘটে একোতে পাপ-নাশী পবশন।

তোব বজ্র-কঠোব মুঠিটোব নেকি সোলকি পবিল বল,
সেইবাবে আজি অস্ত্র অচল হল ?—
—হুঙ্কাব মাবি মেদিনী বিদাবি বোৱাই মুকলি ঢল,
ধুই নিকা কবা মহা-পতনব মল ?—

ভিতবত তোব নাই হ'ল একো, ঘুণব গুড়িবে ভবা,
খোজটি কাঢ়িলে উজটিত পবি মবা ;—
—বাহিবত কব পূর্ব্ব-পুৰুষে শাসিলে বিশাল ধবা,—
আকাশ-লঙ্ঘী বিজয়-স্তম্ভ গঢ়া !

ডেকা-তেজ কিয় ম্লান হল তোব চকু-গালে-মুখে জ্বলি ?
—নোৱাব উঠিব দুর্ব্বলতাক দলি ;—
হায় ! সাজনে-কাচনে. ধবণে-কাবণে হুবহু ছোৱালী হলি,
শ্রমব নামত যোৱা হলি গলি ঢলি।

তোৰ আত্ম, জীৱন, প্ৰাণ, মন, জ্ঞান, গৌৰৱ, ইতিহাস,
—দেখা নাই ভাত পতঙ্গৰ পৰিহাস ?
সকলো আবুধ, ইজ্জৎ, মান, চেঁচা হল মাটি খাই,
চকুৰ আগতে,—তথাপি চেতনা নাই ।

বাচিব খুজিছ কিবা চিনাকিবে ঘৃণিত জীৱন লৈ ?
বিজয়-পতাকা কিটো বা শিবত বৈ,—
শক্তি, গৰিমা, কিটোবে বা তই বিশ্ব-সভাত গৈ,
মুগ্ধ কৰিবি কাক কি কাহিনী কৈ ?

নাই তিলমানো আত্ম-চেতনা স্ব-বিশ্বাসৰ কণা,—
—মুক্ত্যাভিযানী বিপুল উন্মাদনা—
—হীনতাই ঢকা মনোবৃত্তিৰ বজ্ৰ-প্ৰাচীৰ ভাঙি,
আগ বাঢ়ি যোৱা উন্নত বুকু দাঙি ?—

গুৱাহাটী—ইং ১৯২৮

মানব-জীবন

কিহৰ বাবে আকাশ পাতাল
কিহৰ বাবে ধৰা ?
কিহৰ বাবে জন্ম ধাৰণ,
কিহৰ বাবে মৰা ?
নাইতো ধৰাত এই প্ৰশ্নৰ
পূৰা সমিধান,—
কৰা মানৱ সদল-বলে
অসীম অভিযান।

যুক্তি-বিচাৰ হ'ল যে জঠৰ
এই সীমাতে বহি
মানৱ জাতিৰ বিভৱ-স্তম্ভ
গ'ল যে তেনেই ভহি।
জীৱন মথি মথি লভা
জ্ঞান-গৰিমাৰ ফল,
ঠেক সীমাতে ঘূৰি ঘূৰি
অন্ধ বিফল হ'ল।

সেইবাবে তো এই ধৰণীৰ
মানৱ-জীৱন খোৱা,—
অলপ উঠি তাৰ পিছতেই
পিছলি পৰি মৰা।
আজি যি কণ যায় আঁগুৱাই
কালি আহে নামি,
তথাপিতো সীমা ভঙাৰ
নহয় অনুগামী।

সীমা ভঙাৰ এই যে সপোন
নহয় কেৱল কথা,—
নিজান কোণত বহি বহি
ভাৱৰ মালা গঁথা।
এই ধৰণীত গোট খোৱা এই
শক্তি-সমল লৈ,
বীৰ দাপেৰে গ্ৰহান্তৰত
তেজ মঙহে গৈ,—
পাৰিলেহে উপনিৱেশ
স্থাপন কৰি লব,—
মানৱ জাতিৰ মান-গৌৰৱ
নিত্য-নতুন হব।

তেহে ধৰাৰ মানৱ-জীৱন
বিৰাট বিশাল হৈ,
সৃষ্টি ব্যাপি মানৱ জাতি
হব চিৰস্থায়ী।
তেহে সীমাত ঘোলা হোৱা
জ্ঞান-গৰিমাৰ ধাৰা
মুক্ত হব, মহৎ হব,
ভাঙি সীমাৰ কাৰা।

ঘূণ ধৰা এই ধৰণীখন
খামোচ মাৰি ধৰি,
জীৱনৰ তোৰ অসীম গতিক
দিবি কিয় ফাঁকি ?

গুৱাহাটী—ইং ১৯২৮

গড়া কবি মোক ঝাড়ুদাৰ

হেৰা বিশ্ব কৰ্ম্মকাৰ !
তোমাৰ ৰুদ্ৰ-ৰোষ হাতুৰীৰে
পিটি পিটি মোক ভাঙি তৰপিতিৰে
গঢ়ি তোলা কবি বিশ্বৰ ঝাড়ুদাৰ—
হেৰা বিশ্ব-কৰ্ম্মকাৰ !

তমু সৃষ্টিৰ স্বচ্ছতা
ঘোলা কৰি,
মহা-মহত্ত্বৰ উচ্চতা
ঢাকি ধৰি,
হীন-নীচতাৰ আছে যি জাহি-জাৰৰ,
সাৰি-পুছি মই কবি তোলোঁ মনোহৰ।

সুধিছা,
সাৰি-পুছি থম ক'ত !
বুজিছা !
ভৰাম সকলো মোত ,—
তোমাৰ সৃষ্টি কদাকাৰ কৰা মলি-মাময়ৰ দ'ম
বিশ্বৰ পথা সাৰি-পুছি আনি ময়েই গধাকী হ'ম,
ভাৰ ময়েই গধাকী হ'ম।

ভেঙিয়া ভোমাৰ সৃষ্টি—
নিৰ্ম্মলতাৰ বৃষ্টি
ধাৰাসাৰে পৰি ধুই-ধাই নিব
যতবোৰ অভিশাপ,—
গোটেই জগত প্লাৱি উথলিব
মহা-মহত্ব দাপ।
অপ্ৰতিহত নৱ-বিচিত্ৰ সৃষ্টিৰ সোঁত ব'ব,
অপূৰ্ণতাৰ বেষ্টনী ভাঙি জগত মুকলি হ'ব।

গুৱাহাটী—ইং ১৯৩১

অভ্যুদয়

অস্তগামী গৌরব
অভিশপ্ত
দুর্ব্বহ গ্লানিত
দাসত্ব ঘোর-কলঙ্কের ভারাক্রান্ত ভারতবর্ষর,
মানরীয় সম্পদর
সর্ব্বলুপ্ত
ধূল্যবলুন্ঠিত
প্রপীড়িত আর্ত্ত-বেদনাত ক্লিষ্ট মহা-মানব মর্ম্মর
সমুত্থিত ত্রাহি ত্রাহি হিয়া-গলা হাহাকার ফালি,
মোহন কবম চন্দ্র,
অভয়োন্মাদিত মন্দ্র
নিনাদিত, উল্লাসিত, আশা-সমুজ্জ্বল হিয়া জ্বালি,
মুক্তির ত্রিরঙ্গ তুলি সমুদিত ভারতাকাশত,—
নাই ভয়, নাই ভয়—নবরা নিরাশা-অবনত।

মূহ্যমান! চোরা সৌরা! ভারতর সাধনা-প্রতীক,—
চূর্ণ করি যুগান্তর জড়তা, পঙ্গুতা গতানুগতিক,
বজ্র-নির্ঘোষেরে মুক্তি-শঙ্খ বাজিল যোগীর,—
মাত্র আত্মবল, নিহিংস অজেয়-অস্ত্র,—মহান বিভূতি—
—কি প্রচণ্ড! কি কঠোর! মহা-কর্ম্মর আহ্বান

আলস্য, আয়াস, বিলাসিতা খহিল ভোগীর,—
হৃদি এবি পৈশাচিক বৃত্তি সমূহর ঘটিল বিচ্যুতি,—
শোষণর দুর্দ্দান্ত দানর স্তম্ভি কম্পমান।

নিষ্পেষিত, উৎপীড়িত, দলিত, পতিত,
শোষণ মূর্চ্ছিত পৃথিবীর বিধ্বস্ত মানব!
থিয় হোয়া শত্রুজয়ী আত্ম-চেতনাত ·—
মহাত্মার মুক্তি-বাণী হল বিঘোষিত
নির্ভয়, নির্ভয়,—লুপ্ত হল শোষক দানব
নরসৃষ্টি জাগি উঠা আত্ম-বেদনাত।

গুৱাহাটী—ইং ১৯৩১

আকাঙ্ক্ষা

বদেন্দ্রিয়র আস্ফালনত লগাই ভীষণ শঙ্কা,
নর-সৃষ্টির ঢল উথলিল বজাই বিজয়-ডঙ্কা।
যুগ-যুগান্ত সঞ্চিত যত কলুষ-ক্লেদর গ্লানি,
ভাবতাত্মার বিশ্বোদ্ভাসী প্রভা ঝাখিছিল ম্লানি—

সকলোখিনিকে নিব উটুৱাই,
ফাঁকি, দুর্নীতি, কঢ়াল কোবাই,
দূৰ কৰি দিব মানৱীয়তাৰ
সীমা-ৰেখা বাজ কৰি,—
সত্য-সাম্য, পৱিত্রতাৰ,
সংযমাপ্লুত নিৰ্হিংসতাৰ,
সোণৰ ভেটিত জয়-জয়কাৰ
তুলিব সমাজ গটি।

বিৰোধৰ শেলে কাটি-কুটি থৈ
ডোখৰ ডোখৰ কৰা হিয়াখোৰ,
একাত্ম-বোধত এক থুপ হৈ—
গলাগলি কৰি লাগিল জোৰ ;—
এমূহুত ভাৰ বেদনা জাগিলে আনটো মূৰও উঠিব জাগি,
তসামান্যৰ চিন-চাবৰোৰ বিষাটাত্মাত পৱিব ভাগি।

পৃথিৱীৰ ভাত, পৃথিৱীৰ মাছ, পৃথিৱীৰ ঘিউ-মউ,
পৃথিৱীৰ নৱে সম-স্বত্বেৰে,
ভোগিব, বাচিব শান্তি সুখেৰে,
তুলি, হিয়া বৈ থকা বিচিত্র নৱ-সৃষ্টিৰ ঢ'উ।

নাথাকিব দবিদ্রব ঘোব অপমান,
বিৰস্ত্রাব কলঙ্ক-কালিমা,—
সুখী-দুখী, উচ্চ-নীচ একো ব্যৱধান,
শোষকব ৰাক্ষসী-গৰিমা।
অক্ষৰী বা নিৰাক্ষৰী,
অনাহাৰী, অৰ্দ্ধাহাৰী,—
নানা ৰোগ নিষ্পেষিত,
স্তূপীকৃত—
নৰ-কঙ্কালৰ বীভচ্ছ দৰ্শন,
কুৎসিত, কদাকাৰ,—
অন্যায়, অবিচাৰ,—
ন্যায-নীতি বঞ্চিত
প্রপীড়িত—
নৰ-সমুদ্রৰ ক্ষোভাগ্নি গৰ্জ্জন ;—
সকলো বিলীন হৈ-সুখ-শান্তি উজ্জ্বল
প্রেম-ৰাজ্য প্রতিষ্ঠিত হ'ব
সভ্যতা, সহৃদযতা, পবিত্রতা-উচ্ছল
এক-আত্ম-অনুভূতি ব'ব।

গুৱাহাটী—ইং ১৯৩১

জীবনের উদ্দেশ্য

যি জীবনত দেশ-সেৱনত
আত্মাহুতিৰ অনল-শিখা নাই,
সেই জীবনত নাই অধিকত
প্রয়োজনৰ উচ্চ দাবি ভাই।

জন্ম-ভূমিৰ ৰস-ৰূপেৰে
নদন-বদন পুষ্ট হোৱা প্রাণ,
এলেহুৱা কর্ম্মভীকৰ
নহয় কাঁকিৰ ভোগ-বিলাসৰ গান!

শ্রান্তি-বিহীন কর্ম্মধাৰাত
তেজ টুপি তোৰ ঢালি ঢালি
সোণ-সাকৰা কৰি,—
জন্মভূমিৰ ধূলি-বালি,
পথাৰ কেথন বীৰ দাপেৰে
তোল সোণেৰে গঢ়ি।

কেৱল কথাৰ ফুলজাৰিতে
মাতৃস্তনৰ ধাৰ-ঋণটো
নহব তোৰ সুজা,—
বিচ কৰ্ম্মাৰ কঠোৰ আদেশ—
জীৱনতো যে কৰ্ম্ম-গথা
মন-প্ৰাণ দি বুজা।

গুৱাহাটী—ইং ১৯৩১

বেদনা-বিজয়

হেৰা ভগৱান!
সৰ্ব্ব শক্তিমান—
তোমাৰ যন্ত্ৰণাময় দুখ-বেদনাৰ
নিৰ্ম্মম আঘাত ভৰা অবিৰল ধাৰ-
মোৰ হৃদয়ত—
—বুকুৰ পাততে—
মই ধৰি নোৱোধিলে
ৰোধে সাধ্য কাৰ?
মই জয় নকৰিলে
কৰে কোনে?—অজেয় দুৰ্ব্বাৰ—?

সুখ-সম্পদের যিটো
অফুরন্ত শান্তিময় তোমার ভবাল,
হেরা সর্ব্বশক্তিমান!
যি সকল সুখী, ভাগ্যবান,
বেদনাত ভাঙি হোরা নাই লালকাল,—
দিয়া সিহঁতক সিটো।

মই মহা দুর্নিবার বিদ্রোহী দুরন্ত,—
কলিজা একণমানি—
লক্ষ বেদনাই হানি
জীবনর ফুল-পাত্র করিছে উপাস্ত।

নালাগে তোমার মোক সান্ত্বনার দান,—
হম কিয় লঘু মই দানর উচ্ছিষ্ট লৈ?
দান লয় কোনে বাক?— কাপুরুষ নে কি মই?
মোরো আছে যাতনাত ক্লিষ্ট-অভিমান।

—দুখ-দৈন্য-বেদনার জ্বালাময় অগ্নিশিখারোর,
ঢালি দিয়া ধারাসারে পূর্ণ করি ছিন্ন-ক্ষুব্ধ মোর।
—বুজিছানে তুমি যাতনাধিরাজ! কি সুরেরে দিবা ঢালি,—
কিদরে ঢালিলে তোমার বেদনা-ভাণ্ডার হব খালি?

মই হম যত ব্যথাৰ গৰাকী,
আনলৈ আৰু নাথাকিব বাকী,—
সৃষ্টি-পটত মইহে কেৱল হম বেদনাশালী।

হিমাদ্রীৰ উত্তুঙ্গ শিখৰ ভাঙি গুড়ি কৰা,
কটুৰ, কঠোৰ, নিষ্ঠুৰতৰ,
বজ্র-বিজুলী হানেৰে,—

সৃষ্টি-প্রলয় গলাগলিকৈ খুলি পৰা
কোটি তাৰকাৰ আৱর্ত্তনৰ,
প্রচণ্ডতম মন্ত্রেৰে,—

দিয়া তীব্র, তিক্ত, দারুণ ধাৰেৰে
বিশ্ব জাৰি-জোকাৰি,
ভীষণতৰ রুদ্র-ৰোষেৰে
ভাণ্ডাৰ সুদা কৰি।

হিয়া ভৰি মোৰ পৰক তোমাৰ কৰ্কশ কদাকাৰ,—
মই বেদনা-বিজয়ী হাহিৰ ফুলেৰে কৰিলম জাতিস্তাৰ

নিষ্ঠুৰতাৰ শিলাভূমি ভেদি
তেহে হৃদয়ৰ পুলক জাগিব,—
কটুৰ, শুকান, নিৰস প্রাণেদি
সৰস জীপাল স্রৱণ চলিব ;—

দুখ-কাঁইটত গোলাপ ফুলিব,
আঁউসীক খেদি জোনাই জ্বলিব,
ৰিক্ত হৃদয় ভৰপূৰ কৰি চলিব কেৱল প্ৰেমৰ ঢল,
ব্যথিত জীৱন জাতিষ্কাৰ কৰি ফলিব কেৱল সুধাৰ ফল।

সোমা আহি মোৰ বুকুৰ মাজত,
ডোৱা-পোৱা হোৱা জ্বালা-যাতনাত
জগতৰ যত ছিন্ন হৃদয়বোৰ—
মই আজি দুখ-বেদনা-বিজয়ী –
নিৰ্ভয় হোৱা সমাগত হৈ,
যাতনা-লীনোৱা আঙুল ছিয়াত মোৰ।

গুৱাহাটী—ইং ১৯৩২

জাগ ডেকা তেজ জাগ

জাগ ডেকা-তেজ জাগ আজি জাগ,
আগ্নেযগিৰি উগাৰি জাগ—
এলাহৰ গাঁঠি ভাঙি গুড়ি কৰি
কৰ্ম্ম-ধাৰাৰে ধৰণী ঢাক।
জাগ ডেকা-তেজ জাগ আজি জাগ
স্বৰ্গ—মৰ্ত্ত্য কঁপাই জাগ,
বিনাশী জাতিৰ দুখ-দাৰিদ্র্য
ঘৃণিত গলিত গোলামী দাগ।
জাগ ডেকা-তেজ ঢল ঢালি তোৰ
উটাই জাতিৰ জঠৰ-ভাগ,
দেশৰ মাটিৰ গড়-লতা ভৰি
উথলি উঠক সোণালী-ৰাগ।
জাগ ডেকা-তেজ বজ্র—মুঠিত
ভাঙি পুন্ন গঢা হাতুৰি লৈ,
স্বদেশ সেৰাত ভণ্ডামীবোৰ
ভাঙি উৰি য'ক চূর্ণ হৈ।

গুৱাহাটী—ইং ১৯৪০

জাগ বেধা মোৰ জাগ

হায়! হায়! হায়! দেশৰ নো মোৰ কিয় এনে হ'ল?—
যাৰ বাবে মই কৰোঁ ধৰোঁ সিয়ে ধৰি মাৰে,
যাৰ বাবে মই পৰি মৰোঁ সিয়ে গালি পাৰে!
কোনোৱেচোন নুশুনে মোৰ আটাহ-আৰ্ত্তনাদ,
— তথাপিতো নাই কণো মোৰ ক্লান্তি অৱসাদ।
হায়! হায়! হায়! জাগিটোৱ মোৰ কিয় এনে হ'ল?

কিয়? মই নো নাপাওঁ বুজি, বুজাই দিব কোনে?
সন্ধান কিবা পাওঁ নে নাপাওঁ?—এনেই মাৰিছোঁ নে?
নিঃস্ব হলোঁ ৰস-জীপমোৰ উদি কবি দি,—
তাৰ সলনি পাত্ৰ ভৰাই কিহৰ পালোঁ কি?
পূৰা পোৱাৰ সপোন খেদি মূলখিনিকো দিলোঁ,
পাওঁ-পাওঁটোৰ সন্ধি চেপি কি কিবাটো পালোঁ?

ব্যৰ্থতা, নে সফলতা?
শূন্যতা, নে ভৰপূৰতা?
এই কিবাটোত পোহৰ সানি একো নোলায়চোন?
পো-নোপোৱাৰ কোনটো কিমান,
হো-নোহোৱাৰ জোখ পৰিমাণ,
বিজপটোৰ ব্যথাত বাদে একো নাপাওঁচোন?

ব্যথাক পিটি ব্যথাৰ আঘাত,
কেৱল ব্যথাৰ ঘাত-প্ৰতিঘাত,—
তথাপিতো কৰা-ধৰাৰ অন্ত নাহে নামি—
শূন্য শুকান নিঃস্বতাটোত
সপোন খেদাৰ বেগ খালে প্ৰোত,
তথাপিতো মৰা-পৰাৰ লানি নাযায় থামি।

আজি তো মোৰ ব্যথাত বাদে আন একোটো নাই,—
আকাশ-পাতাল ভেদি যোৱা
বিৰাট ব্যথাৰ ঢল চৰোৱা
নিঃস্বতাটোত আছে মাথোন শুদা ব্যথাৰ হাই।

কি দি আজি সপোন খেদি হান-খোছবোৰ খাম ?
আশাৰ সুঁতীত আশা গাঁথি কি গীতটো গাম ?
শুদা ব্যথাৰ ঢলত মাথোন জীৱন ওপঙ-তল—
ফল-যুল গৈ উঠি বিৰাট-বেদনাটো বল।
জীৱনৰ মূল খৰচ কৰি এয়ে নে কি পালোঁ ?
পোৱাৰ তৃপ্তি ঃিয়াই লৰি বেদনাত পোত খালোঁ

এয়ে নেকি সত্য তেনে পাত্ৰ ভৰাই পোৱা ?
জীৱন উদি কৰি দি দি ব্যথাৰ মাণিক লোৱা ?

হয়,—ব্যথাতেই তো হয় জীৱনৰ বিৰাট প্ৰস্ফুৰণ,
নিত্য-নতুন বিচিত্ৰতৰ সৃষ্টিৰ জাগৰণ,—
নতুন-সৃষ্টি উদ্গিৰণৰ তীব্ৰাবেগৰ বেদনাতেই
উটি-বুৰি চন্দ্ৰ-সূৰ্য্য-তৰা উঠিল জ্বলি—
সৃষ্টি-শোভাত ক্লেদ সানি কল্মষে গঢ়ি তোলে দম্ভী-প্ৰাসাদ—
জীৱক লগাই ত্ৰাস-সন্ত্ৰাস,—সিও যায় ঢলি গলি।

জাগ তেনেহলে জাগ ব্যথা মোৰ
আকাশ-পাতাল বুৱাই জাগ,—
উটাই জড়তা, ক্লেদ,—টানি তোল
নৱ-সৃষ্টিৰ অমল ভাগ।

গুৱাহাটী—ইং ১৯৪৮

মাটির দেহা মাটিত মিলক

নর-পশু-পখী, কীট-পতঙ্গ সকলো মাটিবে জীর্
মাটির বসেবে মাটিব ভাপেবে সকলোরে ধবে জীপ্,—
মাটি এচমকা, ঘব এডুখষি সকলো জীরবে আছে,
তাতে থিতি হৈ সকলো জীরই হাঁহে, কান্দে, মবে, বাচে।
ময়ো তো মাটিবে জীর—
মোব মাটি নাই কিয় ?

মাটি-ঘব তেন্তে কাব ?
মাটিব জীরব নাই যদি তাত বাচি থকা অধিকাব ?
মাটিব জীরই মাটিবে জীরক হানি, খুছি, চেপি, চুহি,
দানরী ক্ষুধাব উৎপাড়নেবে হাড়-ছাল ধাঁহি-খুঁছি,
নাবকী মনব ক্লেদ তুলি তুলি দ'ম গাথি তোলে যেয়ে,
বিধি-ব্যবস্থা মতে লাভ কবে মাটি ঘব হেনো সেয়ে ?

দেখিছোঁ তো যেন তাকে,—
মাটিৰ ভেমুল্লা জীয়েহে মাথোন মাটি-ঘৰ কৰি থাকে।
সেয়ে যদি হয়,—নহব তো মোৰ মাটি-ঘৰ কৰি থকা,—
মাটিৰ জীৱৰ মাটিতে তেন্তে মিলি য'ক দেহ-জকা।
যি থাকে থাকক পকী-বাঁহ সাজি ক্লেদৰ খলক তুলি,
মাটিৰ জীৱৰ মান উদি কৰি ভেকুৰা-ভেকুৰি ফুলি।

গুৱাহাটী—ইং ১৯৪৯

যায় দেখোঁ যায় সকলো যায়!

আজি যায়, যায়, যায়, সকলোখিনি দেখোঁ যায়, যায়।
বহুখিনি গৈ যিখিনি বাকী ৰ'ল, সিওখিনি দেখো যায় যায়—
তথাপি কিয় তোৰ চেতনা নাই?
সকলোখিনি দেখোঁ যায় যায়।

সাহিত্য-সংস্কৃতি, ভাষা, অর্থনীতি,
সকলো দেখো আজি উটি যায়,—
তথাপি কিয় তোৰ তত্ চপা নাই ?
সকলোখিনি দেখোঁ যায় যায় ।

খেতি, মাটি-বাৰী, বান্ধি ধৰি কাঢ়ি,
সকলো লুটি দেখোঁ লৈ যায়,—
বুকু ধাকুৰি আয়ে কান্দে হায় ! হায়
যায় সকলো দেখো উটি যায় ।

জাতীয় চৰিত্রতো ত্যাগ, আত্মৰিকতা,
নোহোৱা হ'ল দেখোঁ হায় ! হায় !
কিহেৰে ৰাখিবি জাতিক জীয়াই ?
সকলোখিনি দেখো যায় যায় ।

গুৱাহাটী—ইং ১৯৫০

উদ্দীপনা

কর্ম্ম-বিমুখ এলেহুয়াৰ
ওফন্দনিত ভৰি থকা
ভেম-ভাণ্ডৰ আয়ৰ্জ্জনা,
কর্ম্মোদ্যমৰ দীপ্তি জ্বালি জ্বলাই দে—জ্বলাই দে—

অসৎ, কুটিল প্রতাৰণাৰ
আস্ফালনত লুকাই ৰখা
দানৱতাৰ চক্ষু-ৰঙা,
নির্ভীকতাৰ তেজাল তাপত গলাই দে—গলাই দে—

অন্তৰায়ৰ দুর্গ-প্রাচীৰ
অভ্রভেদী, ভীতি দায়ক,
দুর্জ্জয়, দুর্লঙ্ঘ্য নহ'ক,—
—আত্মনাশী পাপৰ শিবিৰ,
আত্মবলৰ অস্ত্র মাৰি হলাই দে,—হলাই দে,—

তোৰ সৎ-সাহিত্য, নৃত্য-গীতৰ
বিদ্যুৎ-উজল ভঙ্গী-ঠাটত,—
—ধোদকুলীয়া অজবোৰত,
নতুন জীৱন, নৱোৎসাহৰ
প্ৰচণ্ডতম উদ্দীপনা চলাই দে,—চলাই দে,—

বিৰাট আশাৰ বিজুলী-চাটিৰ
চিকিমিকি সৌ জ্বলে আগত,—
পৰ্ব্বত-ভৈয়াম, উজনি-নামনি
হোৱা একপ্ৰাণ এটা গোটত।

গুৱাহাটী—ইং ১৯৫০

— —

সংশয়

য'ত স্বর্ণাসনত আজি আৰোহি
কালিতে বাগৰি পৰে,
আজিৰ মিছাই বুকু ফোন্দাই
কালি সঁচা ৰূপ ধৰে,—
একোৰেই নাই স্থিৰতা য'ত,
তাত সত্যপ্রিয়তা, পৰিত্রতাৰ মূল্য ক'ত ?

য'ত দুর্নীতিযেও সুনীতিৰ সাজ
পিন্ধি লাহৰি খেলে,
ৰমক-জমক ৰংপতা সানি
ফাঁকিৰ পোহাৰ মেলে,—
একোৰেই নাই স্থিৰতা য'ত,
তাত ভেম ভৰকৰ, মানাভিমানৰ মূল্য ক'ত ?

য'ত পকী-প্ৰাসাদৰ গাঁথনিয়ে পতি
শোষিতৰ তেজ জ্বলে,
ছলনা গছত কোৱা-ভাতুৰীয়া
মনোমোহা ৰঙা ফলে,—

একোৰেই নাই স্থিৰতা য'ত
তাত নিষ্কপটতা, সততা, সঁচাৰ মূল্য ক'ত ?

গুৱাহাটী— ১৬ মেই ১৯৫২

—

মই আছোঁ—মই আছোঁ

মই আছোঁ,—মই আছোঁ,—মই আছোঁ,—মই আছোঁ,—
আছিলোঁ,—থাকিম চিৰকাল,—মই আছোঁ,—মই আছোঁ,—
অব্যক্তৰ পোন-প্ৰথমৰ ব্যক্ত-আকুল-বেদনা বৈ,
কত ৰূপৰেখা জ্বলি উৰি গ'ল একো উৱাদিহ নোহোৱা হৈ,—
ভাঙি গুড়ি কৰা, গুড়িকেই গঢ়া নিৰৱচ্ছিন্ন মন্থনৰ,
কত প্ৰচণ্ড ঘাত-সংঘাত সহি লাখে-লাখ মন্বন্তৰ,—
মই আছোঁ,—মই আছোঁ,—মই আছোঁ, মই আছোঁ,—
অশেষ বিৱৰ্ত্তনৰ ধুমুহা বুকু পাতি লৈ আছোঁ—মই আছোঁ।

সৃষ্টি-স্থিতি প্ৰলয়-বানৰ তাণ্ডৱ কত উফৰি গ'ল,—
মোৰ গৌৰৱ-দীপ্ত চিৰাকি লেশমানো তাত নত নহ'ল,—
সত্য-ত্ৰেতা-দ্বাপৰ-কলিৰ চণ্ড-ভ্ৰূকুটি জয় কৰি,
বিপুল বিক্ৰমেৰে সুউচ্চ শিৰ তুলি জ্বলি ঠন ধৰি,—
মই আছোঁ—মই আছোঁ,—মই আছোঁ,—মই আছোঁ,—
ভাৰতৰ পূৰ্ব-প্ৰান্ত-বঙ্গী আছোঁ,—মই আছোঁ।

মই শুদ্ধ, মই বুদ্ধ, মই সত্য, মই নিত্য,
অজৰ অমৰ সেইবাবে মোৰ স্বত্ব,—মোৰ চিত্ত,—
ধৰ্ম্মাৰণ্য, কামৰূপাসম, সৌমাৰ প্ৰাগ্‌জ্যোতিষপুৰ;
নানান খ্যাতিৰে যুগে যুগে কৰি কাল-নিয়তিৰ দৰ্প চূৰ,—
মই আছোঁ,—মই আছোঁ,—মই আছোঁ,—মই আছোঁ,—
ভাৰত-মাতাৰ মুকুটৰ মণি—আছোঁ,—মই আছোঁ।

প্ৰহ্লাদ, নৰক, বলি, ভীষ্মক, ভাস্কৰ, ভগদত্ত, বাণ,
কদ্ৰ, লাছিত, জয়া, গদা, চিলা, নৰ-নাৰায়ণ মহানপ্ৰাণ,—
শঙ্কৰ, সৰস্বতী, দামোদৰ, মাধৱ, কন্দলি, পুৰুষোত্তম,
মোৰে পো-নাতীৰ জ্ঞান-বীৰত্ব গৰিমাৰে হৈ অনুপম,—
মই আছোঁ, মই আছোঁ।—মই আছোঁ।—মই আছোঁ,—
ভাৰতৰ পূবাচল পৰিশোভি—আছোঁ,—মই আছোঁ।

চণ্ডী বকৰা, হৰ-বীৰদত্ত মণি-পিয়লিৰ বুকুৰ জুই,
মোৰে বাটে-ঘাটে চোতালে পথাৰে জ্বলে অবিৰল আকাশ ছুই,—
কুশল, মদন, দেৱী ভোগেশ্বৰী, কমলা, শুৰনি কনকলতা,
বুকুৰ তপত তেজ টুপি ঢালি আনি দিলে মোৰ স্বাধীনতা,—
মই আছোঁ,—মই আছোঁ।—মই আছোঁ,—মই আছোঁ।—
অতীত-বৰ্ত্তমান-ভৱিষ্যৎ জয় কৰি—মই আছোঁ—মই আছোঁ।

মোৰ গিৰিমালা ভৰি অজন্তা-আলোৰ আছে বা কিমানখন,
গৰ্ভত আছে কত মহেঞ্জোদাৰো-হাৰাপ্পা অসাধাৰণ,—
বেদ, ভগৱদ্‌গীতা, ৰামায়ণ, কাব্য, পুৰাণ, মহাভাৰত,—
প্ৰাৰিত ইমান জয়-যশোগান দম্ভেৰে কাৰ বিৰাজে ক'ত ?
সত্ৰ, ভাওনা, নৃত্য, প্ৰসঙ্গ, ৰঙ্গীত, বিহু, দেহবিচাৰ,
নাম, ওজাপালি,—কাৰ আছে ক'ত এনে বিচিত্ৰ কলাৰ হাৰ ?
গাল মুখভৰা নোদোকা ইমান তেজ-ৰঙা ডেকা গাভৰু কাৰ ?
যাৰ পৰশত সোণ-মুকুতাৰে ভৰি ভৰি উঠে ভুঁই-পথাৰ !

কোনে কৰে আজি উপলুঙা মোক, এনে দুৰন্ত সাহস কাৰ ?
শাশ্বত মোৰ স্থিতিৰ ভেটিটো টলাই তুলিছে হাই-হুঁ কাৰ ?
—স্বাধীন—ভাৰত জয়গীতিকাত নাই আজি মোৰ অমৰ নাম,
—মৰ্য্যাদা মোৰ ক্ষুণ্ণ কৰিছে, বেদনা-জ্বালাত জ্বলিছে প্ৰাণ ?

স্বীকাৰ কৰিম মই কিয় তাক যেযে কৰে মোক অস্বীকাৰ ?
মোৰ শিৰ কিয় নত হব তাত, সত্যৰ য'ত নাই বিচাৰ ?
তোল তোল মোৰ ব্যথিত. ক্ষুব্ধ শিৰত তেজৰ উতল তোল,
আত্ম-স্বত্ব থাপি তোল য'ত মৰ্য্যাদা তোৰ ক্ষুণ্ণ হ'ল।

গুৱাহাটী — ইং ১৯৫২

মোৰেই

আজি—বিষম টনাটনি,—
এক ফালে মই অকল শৰে—
আনফালে সৌ কলুষ-ক্লেদৰ বিকট বিজয়-ধ্বনি,—
আজি বিষম টনাটনি।

কলুষ ক্লেদৰ ঠাৰত চলে
দৈত্য-দানৱ দল
মোৰ চকুলোত গগন গলে,—
—ধৰা প্লাৱিত হল।

কোন বুৰে কোন ওপৰ উঠে
স্থিৰ হব যে আজি,—
বিশ্বে শুনিব তথা লাগি কাৰ
জয়গীত উঠে বাজি।

সৃষ্টিৰ গতি চলে অবিৰাম
কলাকে ধিয়ান কৰি,
আমিও তাৰেই স্ফুৰণ একোটা
কলাৰে উঠিছোঁ গঢ়ি।

কিয় পিশাচৰ কদর্য্যতাই
ক্লেদেৰে বুৱায় তাক ?
পূজে কিয় তাক কলাৰ মানৱে
বজাই বিজয় ঢাক ?

সৃষ্টি-ধাৰাত ক্লেদ উঠে সঁচা
কলাক দিওঁতে গঢ়,—
শিল্পীয়ে ক্লেদ ধুই-পখালিহে
কলা কৰে মনোহৰ।

শিল্পীয়ে যদি ক্লেদী চিন্তেৰে
কলা সৃষ্টিত ধৰে,
ক্লেদৰ গ্লানিত শিল্পীৰ স'তে
কলাৰো জীৱন মৰে।

সৃষ্টি-কলাৰ সুন্দৰতম
উৎস নিৰোধ কৰি,
কলুষ-ক্লেদেই ফুটি উঠে তাত
ভূত-প্ৰেত ৰূপ ধৰি।

সৃষ্টিৰ ধাৰা নিঃক্লেদী হৈ
যিমানেই আগ বাঢ়ে,

সিমানেই সি কলুষ-প্রেতক
ডিঙি চেপি চেপি যাবে

সুন্দৰবেই সৃষ্টিত এনে
কলুষৰ উৎপাত—
সুন্দৰে নিজ ইঙ্গিতেৰেই
কাৰৰ নিপাত।

এই বিশ্বাস সত্য কেৱল
মোৰ হৃদয়ে কয়,—
সেইবাবে এই টনাটনিত
মোৰেই হব জয়।

গুৱাহাটী—১৯৫২

রহস্য-ধার

অপ্রকাশর প্রকাশ-ভঙ্গী, সেয়ে তো এই সৃষ্টি,—
অন্তবিহীন ছন্দ তুলি চলিছে তার দৃষ্টি ;—
এক থিতিতে জীরন মরণ,
এক আঁকতে পূরণ-হরণ,—
এবিন্দুতেই অগণনর প্রকাশ-বিকাশ-লয়,
একাঙ্কতেই বিচিত্রতর ভাওনা অভিনয় ।

একাকাশতেই রং-বেরংর তরাবাজি জ্বলে,
এক নদীতে নানা ঠাটর কল-কল্লোল চলে,—
একত বহু, বহুত এক,
একে রূপত নানান ভেশ,
অব্যক্ত ই রহস্য-ধার কোনফালে নো যায়,
কি প্রয়োজন পূরণ করি কোনে কি সুখ পায় ?

গুৱাহাটী—১৫ মেই—১৯৫২

—

প্রয়োজনের ভগবানেই পূর্ণ ভগবান

প্রয়োজনের মুহূর্ত্তটীতে পায় যে অকপমান,—
ভুচর-খেচর, জীয় চমাচর,
ধাতু-উদ্ভিদ্, পশু পখী-নর,
প্রত্যেকটী অণুকণার
পারম্পরিক তৃপ্তি পোরার
পাত্রটীয়েই তার কারণে পূর্ণ ভগবান—
সেইখিনিতে শেষ হয় তার জীয়ার অভিমান।

ক্ষুধাতুরের অন্ন মুঠিত তৃপ্তি যিটী জ্বলে,
তৃষ্ণাতুরের পানী-টুপিত স্বস্তি যিটী ফলে,—
কামাতুরের যৌন-যোগ,
রসাতুরের রসের ভোগত,
প্রবৃত্তির প্রচণ্ডতা হয় যি অবসান, —
তাতেই ভরে লাভ হ'ল তার পূর্ণ-ভগবান।

এটাক এটাত তৃপ্ত কৰাই সাময়িক সুখ দি,
ভিন্নবোধৰ ভিতৰেদি তাকেই চলাই নি,—
ক্ষুধাৰ পাচত ক্ষুধা চৰাই,
তৃপ্তিত অতৃপ্তি জগাই,
খণ্ডভাবে চলে যিটো ব্যাপক অভিযান,
তাতেই ভাবে লাভ হল তাৰ পূৰ্ণ-ভগৱান।

এয়ে নে কি ভেনেহলে পূৰাই পোৱাৰ পথ,—
তৃপ্তি-চৰাত জিৰাই জিৰাই চলাই জীৱন ৰথ,
অসীম-সীমৰ স্বাদ লৈ লৈ,
এটাটাকৈ পাৰ হৈ গৈ,
বিশ্ব-ব্যাপক মূৰ্ত্ত-লীলাৰ পৰিপ্লুতিত পৰা,
নিবিড় আত্মানন্দত গৈ ক্লান্তি বিলোপ কৰা ?

গুৱাহাটী ইং ১৯৫২-১৪ মেই

———

মোৰ আনন্দময় অভিষেক

মোৰ অসীম অতল অন্ধকাৰৰ
দিশ হেঁৱোৱা ভুল মাৰি,
আকাশ জুৰি জ্বলিল সোণ্ৰা
ৰঙা-হাঁহিৰ ফুলজাৰি।

উফৰে তাত কি অগণন
উত্তাল স্ফুলিঙ্গ জাক,
হুঁচ তত্ মোৰ স্তব্ধ নিমাত
কণ্ঠ ওঁঠৰ হেৰাল বাক্।

মেল খালে মোৰ বন্ধ দুৱাৰ,
মুকলি হল হিয়াৰ-পাত,—
উঠিল জ্বলি অৰূপ ৰূপৰ
স্নিগ্ধ শীতল আলোক ভাত।

সেই আলোকত দেখা পালোঁ
কেৱল চলাৱ বিৰাট সোঁত,—
সীম-অসীমৰ ৰেখা মছি
আকাশ-পাতাল ওতপ্রোত।

ভাহিছে তাত অযুত-নিযুত
বিচিত্রতৰ ডিম্বাকাৰ,
অণুই অণুই বিকাশ-লীলাৰ
ৰহস্যময় উৎসাধাৰ।

তন্ময় মোৰ হৃদয় মনৰ
অনুভূতিৰ গতি ৰেগু,
এয়ে তো মোক পূৰাই পোৱাৰ
আনন্দময় অভিষেক ?

গুৱাহাটী—ইং ১৯৫২।

মই বিপ্লবী—মই তাণ্ডবী

মই কাল-বিজয়ী বিপ্লবী—
মই কাল-বিনাশী তাণ্ডবী,—
আজি বিপ্লব ভোলোঁ। ক'ত ?
মই তাণ্ডব ভোলোঁ। ক'ত ?
সৃষ্টির স্নায়ু ধুনাধুন করি উতলি উঠিছে বিপ্লব মোর
উতলি উঠিছে বিপ্লব,—
ব্রহ্মাণ্ডর মেরু প্রকম্পি দাপিছে দারুণ তাণ্ডব মোর.
দাপিছে দারুণ তাণ্ডব।

নভো-মহানীল ছিন্নাছিন্ন করি,
প্রলয়-ভঙ্গী উঠে তার চরি,—
স্বর্গ-মর্ত্ত্য-রসাতল রেখা
মোহান্ধি মূঢ়রি করি দিলে একাকার,—
ক্ষিত্যপতেজ-মরুৎ-ব্যোমর
নোহোরা করিলে চিন-ছার পারাপার,—
কি পরিণামেরে ক্লান্তিত পরি ক'ত বা হয় সি ক্ষান্ত !
নাপাওঁ বিচারি পাত্র-আধার য'ত করোঁ। তাক শান্ত।

সৌন্না,—

বিলাসালসব ক্লেদী-পঙ্কশত
জীবন-দীপ্ত কর্ম্মোল্লাসী পুলকোৎসব ছন্দ পবিছে ভাগি,
আত্মানন্দী সেবা-হবষত
গ্লানিব জটিল বেদনা জমিছে মত্ত-খকব বজ্র-আঁচোব লাগি,—
তাতে তোলোঁ নে কি তাণ্ডব মোব, তাতে তোলো নে কি বিপ্লব ?

আক চোন সৌন্না !—

কুহকী কপব কুট মাধুবীয়ে
পবিত্রতাব আঞ্জলি শিশুক উজটি খুবাই কবে কেনে লটিঘটি,
প্রবঞ্চনাব ধূত্ত ফাকিয়ে
উর্দ্ধগামিনী প্রগতি-গতিক মাবঘাত মাবি কবি দিযে অধোগতি–
তাতে তোলো নে কি বিপ্লব মোব, তাতে তোলো নে কি তাণ্ডব ?

আক সেই ফালে,—

কয় লিখে এক, কবে ধবে আন,
লুটি-পুটি গায় শান্তিব গান,—
তৃপ্তদ যত অনীতি আচবি তুলিকা বুলাই দেখুবায় মঙা ফবি,
ভিতবত পুহি তুষ্ট পিশাচ ঘাহিবত আঁকে মোহিনী কলাব ছবি–
তাতে তোলোঁ নে কি তাণ্ডব মোব, তাতে তোলোঁ নে কি বিপ্লব ?

সৌন্দাচোন আজ, —
পদ-মর্য্যাদা-ক্ষমতাৰ থকে
মানন্নীয়তাক গিলে ডিণ্ডিলৈকে,-
আত্মাৰ ক্ষুধা ভৰিবে মোহাৰি
যেন ক্ষুধাৰ পিশাচী-ৰাপত মত্ত,—
কৰ্ত্তব্যৰ গেড়ি তল কৰি—
বলিয়া চিঞৰি কেৱল দাবিৰ স্বত্ব,-
তাতে নেকি মোৰ তোলোঁ। তাওৰ, বিপ্লব ভোলোঁ। মোৰ ?

কোনফালে চাই কোনফালে লবোঁ।,
কোনটিক এৰি কোনটিক ধৰোঁ। ?—
এটাক ধৰিলে আনফালে পুনু
ক্ষিপ্ত-দাপেৰে উদ্ভেদ উঠি আহে,—
মোৰ লৰা-ঢপৰাৰ দুর্গতি চাই
বিদ্রূপ-বাণ হানি সকলোরে হাঁহে।

আজ দেখোঁচোন !—
প্রগতি, শিল্প কলাৰ আঁৰত
লুকাই লালসা ভৰা সাগৰত
কামনা-দানৱে ধুমুহা তুলিছে
উগাৰি তীব্র ভেজাল শ্লেষ ঢ'ট,

হাঁহিছে বিকট কল্লব সানি
কবি বিষাক্ত জীবন মাধুবী মণ্ড।
তাতে ভোলেঁা নে কি তাণ্ডব মোব, তাতে তোলো মে কি বিপ্লব ?

ইকি !
মোতেচোন দেখোঁ সকলোবিলাকে,
উঠিছে, পবিছে, খেলি জাকে জাকে !
বাহিবত কিয় পবিচে দৃষ্টি ?
ভিতবতে দেখোঁ স্বর্গ-নবক মোব !
সৃষ্টি, স্থিতি, প্রলয় বিনাশ.
নিজতেই দেখোঁ ঘটিছে সকলোবোব ?

নিজক এবি দি কিয় তেনেহলে,
আনলৈ চাই অভিযোগ চলে ?—
জনে জনে হলে ক্লেদাপসবণ,
গোটেই জগত হব সুবিমল শুদ্ধ,—
উতলা বোষেবে আনল'কে চাই
নবব কাবণ মবিবলৈ হৈ ক্রুদ্ধ।

তোল তেনেহলে, তোল তাণ্ডব,
বিকাট বিপুল মহা-বিপ্লব—

প্রথমে নিজৰ অহং-সিন্ধু মন্থন কৰি, নাৰকী কলুষ-ক্লেদ
ধ্বংসি, বিনাশি, তোল জীৱনত পুণ্য-লৱণু কৰি অহমিকা ছেদ।
তাৰ লগে লগে সীম-অসীমৰ সংযোজনাৰ সাফটো গছকি খছি,
নিৰ্মূল কৰ সৃষ্টি কলাক কলুষিত কৰি নৰক যি আছে পঁচি।

গুৱাহাটী—ইং ১৯৫২

যা-যা-সকলো গুচি যা-

যা-যা-সকলো—আছিলি যি মোৰ গুচি যা—
মোক এৰি আজি গুচি যা—

মোৰ বগা-নীলা-ৰঙা পৰিকল্পনা,
পোৱা-নোপোৱাৰ হৰষ বেদনা,
হোৱা-নোহোৱাৰ হিচাব-পত্ৰ,
ধূলি-মলি জাহি-জাবৰ যোত্ৰ,
জোকাৰি পেলালোঁ—গুচি যা—

নাহিবি ছুনাই মোৰ কাষলৈ,
নামাতোঁ পুনৰ বুকু ভাঙি ৰৈ,—
মোৰ সপোনত বোজা-বাধা হৈ,
নাহিবি আপছু অভিযোগ লৈ,—
নাভাঙিবি মোৰ সোণালী-সপোন,—
—নহয়, তহঁত নহয় আপোন,—
গুচি যা—সকলো গুচি যা—

মই অকলে কৰিম, অকলে ভাবিম,
অকলে সাজিম, অকলে বাচিম,—
মোৰ গীত মই অকলে বজাম,
মোৰ চিত মই অকলে ফুলাম,—
মোৰেই মোহিনী ফুলপাত্ৰত
মোৰে সুৰা মই অকলে পিম,—
মোৰেই জীৱন ধুনি-মথি মই
অকলে মৰিম, অকলে জীম।

বুজিছো এতিয়া—অকলে মই—
আন কোনো নাই,—মই হে মই ;—
ময়ে মোক মাতি, ময়ে মোক পাতি,
ময়ে মোক ভাতি, ময়ে মোক ছাটি,
ময়ে মোক মোত ফুলাই তোলোঁ,—

ময়ে মোক গাই, ময়ে মোক বাই,
ময়ে মোক পাই, ময়ে মোক চাই,
ময়ে মোৰ বাট পোনাই চলোঁ।

ময়ে মোত সাজোঁ, ময়ে মোত বাজোঁ,
ময়ে মোত কাছোঁ, ময়ে মোত নাচোঁ,
ময়ে মোৰ ৰূপ মুকলি কৰোঁ,—
ময়ে মোৰ গান, ময়ে মোৰ তান,
ময়ে মোৰ মান, ময়ে মোৰ জান,
ময়ে মোৰ ৰাগ-ৰাগিনী ধৰোঁ,
ময়ে মোৰ তাল-লয়ত চৰোঁ।

ময়ে মোৰ কুল, ময়ে মোৰ তুল,
ময়ে মোৰ ভুল, ময়ে মোৰ হুল,
ময়ে মোৰ মূল, ময়ে মোৰ ফুল,
ময়ে মোৰ গোন্ধ বিলাই ফুৰোঁ,—

ময়ে মোৰ সঁচা, ময়ে মোৰ মিছা,
ময়ে মোক বচা, ময়ে মোত বচা,
ময়ে মোৰ মোক বিচাৰি ঘুৰোঁ।

ময়ে মোত জীওঁ, ময়ে মোত মৰোঁ,
ময়ে মোত থাপি মোকে পূজা কৰোঁ,
মোৰে পাত্রত মোকে মই মেলোঁ,
মোৰে পাছে পাছে ময়ে খেদি লৰোঁ,
ময়ে থাপ মাৰি মোকে মই ধৰোঁ,—
এৰি দি পুনৰ মোকে মই খেলোঁ।

ময়ে মোৰ দৰ্শন, ময়ে মোৰ বিজ্ঞান,
ময়ে মোৰ সত্য, ময়ে মোৰ তত্ত্ব,
ময়ে মোৰ কাব্য সাহিত্য,—
ময়ে মোৰ সীম, অপাৰ, অসীম,
আদি-অন্তহীন, নিবিড় নীলিম,
ময়ে মোৰ শাশ্বত-বিত্ত।

ময়েই চলালোঁ মই-বথ মোৰ মোৰেই বাটত মোৰে পুৰাৰ,
মোৰে ইচ্ছাতে মোতে খুলি গ'ল মোৰে অহা-যোৱা মোৰ দুৱাৰ।

মোৰে শূন্যত জ্বলিল মোৰেই চন্দ্র-সূর্য্য-তাৰকাৰাজি,
মোৰে পৰশত অগ্নি উগাৰি বজ্র-বিজুলী উঠিল গাজি,—
মোৰে ভ্রূকুটিতে গ্রহোপগ্রহৰ ঠেকাঠেকি লাগি উঠিল ধূলি,
সেই ধূলিতেই মোৰে পৰশত নতুন সৃষ্টি উঠিল ফুলি,—

এবি দে-ওচি যা—আপছু চোকোৰা-জাৰৰ বোজা অন্তৰায়,
মই মোক লৈ মোৰ মন আজি অজানা বিচাৰি উধাই যায়।

গুৱাহাটী—ইং১৯৫৩

তিনিও একত গাঁথা

অতীতৰ গাভ আওজি চলিছে বৰ্ত্তমানৰ জয়োৎসৱ,
বৰ্ত্তমানৰ বুকুত বাজিছে ভৱিষ্যতৰ কাকলি-ধ্বনি।
চলাৰ চলনে অতীতক টানি বৰ্ত্তমানত চৰাই ৰং,
পূৰণ-হৰণ, যোগ-বিয়োগেৰে নানা তৰহৰ তুলিছে ঢং।

অতীতৰ সৌ কোনটো কোঠাত গুমৰি ফেকুৰি লালসা কণ্,
ৰূপে-ৰসে পকি ৰ'ৰহায়া হৈ বৰ্ত্তমানত ধৰিছে ঠন।
যোৱাটোৰ পাটি উদি কৰি আহি আজিটোৰ কোলা উপচি পৰে,
আজিটোৰ কেচা ৰং সানি সানি কালিটোৰ ৰূপ মুকলি কৰে।

যোৱাটোৰ চক্ষু-ঠাৰতে ফুটিছে আজিটোৰ বেচা-কিনাৰ জোখ,
আজিৰ বতৰে কালিটোৰ ঠাই থিৰ কৰি দিয়ে দ নে ওখ।
এৰি অহাটোৰ দীঘ-বানি জুখি আজিটোৱে শিপা বহাই লয়,
খিতি হোৱাটোৰ গতি-পৰিণাম আহিৰ-ধৰাত বিলীন হয়।

যোৱাটোৰ গতি-মতিৰ বেগতে থকাটোত ফুটে চলাৰ সোঁত,
থকাটোৰ বেগে থিৰ কৰি দিয়ে অহাটো চলিব কেনেকৈ ক'ত।
অতীত ক্ষুধাৰ অপূৰ্ণতাক বৰ্ত্তমানে কৰে পূৰণ,
বৰ্ত্তমানৰ হীনডেঢ়ি লৈ ভৱিষ্যতৰ সংস্কৰণ।

অতীত, বৰ্ত্তমান ভৱিষ্যত একেটি সূতীৰে একেটি নৈ,
এটাই এটাৰ পাছ ধৰি আহে,-আহিছে; আহিব পুনৰ বৈ।
অতীতৰ ঠেক ছিগি আহি পৰা বৰ্ত্তমানৰ হাতত শূইন,
বৰ্ত্তমানৰ ফলে থিৰ কৰে ভৱিষ্যতৰ সু-ক্ষু দিন।

গুৱাহাটী—ইং ১৯৫৩

নাই জিৰণি-কেন্দ্ৰন চলিযোৱা

আক কিমান দূৰ আছে বাট,
আক কিমান দূৰ ?—
কেতিয়া মোৰ পৰিব এই
বঠা বোৱাৰ ওৰ ?
ফুটিল পুৱাৰ জুৰণিতেই
বঠা হাতত ললোঁ,—
কিমান দুপৰ, সন্ধ্যা, নিশাৰ
চাকনৈয়া পাৰ হলোঁ—।
তথাপিতো বঠা বোৱাৰ
নহল দেখোন শেষ ?
কোন অপাৰত নাও মেলিলোঁ
কাৰ বা কি আদেশ ?
বঠাৰ চাবে চাবে
তৰা, গ্ৰহ, উপগ্ৰহ,
কত উঠিল, পৰিল,
পুনু জাগিল অহৰহ।

ভাঙা-গঢ়াৰ ডাঁৰাই ডাঁৰাই
বঠা চলাই যাওঁ,
উটা-বুৰাক সমান কৰি
কি জানোঁ পাৰ পাওঁ।
বিপুল জাঁজিৰ বিপদ-ভেটাই
আগ আগচি ধৰে,
বঠাৰ চাবত উফৰি গৈ
পথ মুকলি কৰে।

যিমানেই নাও আগ-বাঢ়ি যায়
কেৱল অপাৰ পাৰ,—
নাই একো চিন সীমা-ৰেখাৰ
অসীম একাকাৰ,—
জিৰণি ক'ত? নাই যে ৰেহাই,
কেৱল চলি যোৱা,
চলাৰ স্মৃতীত জিৰণিহীন
চলাৰ বঠা বোৱা,—
এয়ে তো মোৰ পূৰাই পোৱাৰ
বিৰামবিহীন পথ,
উঠা-পৰাৰ দোলাত তুলি
চলাই জীৱন ৰথ।

নিত্য-নতুন বিচিত্রতর
ফুলাই জীবন ফুল,
মহি মহি চলি যোজা
সীমা-রেখার ভুল।

-ইং ১৯৫৩

নিকার নতুন সৃষ্টি গজক

করি! কবিতা রচিবা?—রচা তেনেহলে—
ঋক্কৃত কবি ত্রিলোক-তন্ত্রী,
স্তম্ভি জগত যন্ত্র-যন্ত্রী,
মৃতামৃতর বিধান মন্ত্রি,—
পরাজিত কবি ব্রহ্ম-নাদকো গাজক তোমার কবিতা ঢলে,—
বিস্মিত হৈ শ্রান্তিত হালি থমকি চাওক পলাম্বপলে।

স্বর্গ-মর্ত্ত্য একাকার হ'ক,
বিদ্যুত হিমগিরি গলি য'ক,
তবিতব বিভা জমি কোঁচ খ'ক,—
ধ্বস্তি পবক তলাতলহীন মহানীলখন ঠেকেছা খাই,
ধবিত্রীখনো বাষ্পিত হৈ উবি য'ক তাব বেদনা গাই।

পাতালব শিপা উভবি পবক,
নিখিলব দেহা ধোঁৱাবে ভবক,
দশোদিশ জুবি প্রলয় উবক,—
অগ্নি-জিভাবে চেলেকি চেলেকি চবাচবখন কবক ছাই,
কাল-মহাকালে প্রমাদ গণক হিচাব-পত্র উজাবি চাই.-

কিয় তাব নিকা সৃষ্টি পটত
ক্লেদ-কাজলব আপচু বান ?
তাবেই সৃষ্ট মানৱে বা কিয়
তৃপ্তিবে কবে তাবেহে ধ্যান ?

সঙ্কোচনাব সীমা ভাঙি কিয়,
লাজব মূৰত লাখি জোবাই,
সৃষ্টি-কলাব মহত্তাক,
কলুষ-সোঁতেবে দিছল বুজাই ?

স্বচ্ছ অমল বিকাশ-উৎস মনোময় নিকা দাপোণ খন,
ক'ব পবা আহি উগ্র ঘোলাই ক্লেদ তোলে তাত ইমান ঘন ?

অপবিচ্ছন্ন, ধুঁৱলি-কুঁৱলি
স্পষ্ট স্থিবতা একোটো নাই,—
চিবন্তনাকুল জীৱন-পথিকে
শান্তি লভিব কিৰূপ চাই ?

লিখা যদি কৰি ! লিখা, তাকে লিখা,
তাৰে ৰহস্য-কৱিতা লিখা,—
মাত্তগুকো পৰিয়ান কৰি
জ্বলক তোমাৰ কৱিতা-শিখা।

লিখিলা বহুত, অযুত-নিযুত,
একো সমিধান নোলাল নিখুঁত,
খুঁতেই খুঁতে ভেঙুছালি মাৰি জগালে কেৱল কুটৰ কুট।
দিযা, দিয়া কৰি ! তাৰে সমিধান,
গোৱা, গোৱা কৰি ! তাৰে জয় গান,—
অখিল ভূতৰ ৰন্ধ্রে ৰন্ধ্রে উপচি উঠক নিনাদ তাৰ,—
সৃষ্টিৰ কলা কলুষিত কৰা,
মনো-জগতৰ স্বচ্ছতা হৰা,
মেৰুদণ্ডৰ সাফ সোলোকোৱা লঘু হ'ক ক্লেদ-গ্লানিৰ ভাৰ।

হ'ক—সেই ক্ষণতেই নব-সৃষ্টিৰ পৰিকল্পনা অঙ্কুৰিত,
দীঘলে-পুতলে ভলাতল ভেদি হ'ক স্বচ্ছতা বিচ্ছুৰিত—
স্বচ্ছ হাঁহিৰ নিকা ফুল ফুলি
নিকাবে গোন্ধ বিলাই য'ক,—
হৃদয় বোৱতো কাণে কাণে ভৰি
নিকা হাঁহিটোৱে বেদনা ৰ'ক।

সুখ-দুখ-শোক মানাভিমানতো
হাঁহি-কলাময় ফুলক ফুল,—
নিকা নিকা হাঁহি,—নিকা নিকা কলা,—
নিকাবে ভৰক অকুল-কুল।

গুৱাহাটী—ইং ১৯৫৪ চন।